চান্দমামা

অক্ট'বাৰ ১৯৮৯



Ramanand Sagar's
Ramayan
PHOTO COMICS
12 volumes. In Hindi and English
Ramanand Sagar
Ramayan
Legend has it that a herb gave new life to man.
ZANDU
Rs. 5/- each
Published by
CHANDAMAMA
VIJAYA COMBINES
188, N.S.K. Salai, Vadapalani, Madras-600 026.
Under licence from
SAGAR ENTERPRISES
Natraj Studios, 194, Andheri Kurla Road, Bombay-400 069.
Vol. No. 2 now available at news stands

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:
Lion **MOTO**, Lion **TURBO**, Lion **SWEETY**, Lion **CONCORD**,
Lion Hi-Tech **METALLIC**, Lion **MASH-HOOR**, Lion **EXECUTIVE**,
Lion **NOVELTY**, Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

চান্দমামা

অকটʼবাৰ ১৯৮৯

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
ছঠেভীয়া	:	১০
বেজি আৰু কুঠাৰ	:	১১
পিতা-পুত্ৰ	:	১৫
কোনে কাক ঠগে	:	২২
‘মহাবীৰ’	:	২৩
লোভৰ কোব	:	৩০
নেহৰু-উপাখ্যান-৭	:	৩৩
আঁকত পাক	:	৪১
কৃষ্ণাৰতাৰ	:	৪৫
দানিপৰা দানপত্ৰ	:	৫৩
পণ্ডিতৰ পৰীক্ষা	:	৫৪
তিনি পাইকৰ শ্ৰীৰাম বৰা	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!**

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

Everyday while a new India emerges, the existence and memory of the old one slowly fades.

The once-familiar sounds and sights, the beauty of Indian traditions and values, the ethnic and historical identity of its people, the once prolific art and handicrafts of rural India; a heritage is vanishing. Discover a part of that real India through the pages of The Heritage.



It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

Annual Subscription: Rs. 120.00

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026.

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

'পিতা-পুত্ৰ' এই সংখ্যাত সমাপ্ত হ'ল। অহা সংখ্যাৰপৰা নতুন ধাৰাবাহিক আৰম্ভ হ'ব। এই ধাৰাবাহিকৰ নাম 'দস্যু যুৱৰাজ'। এই নতুন ধাৰাবাহিক দুৰন্ত গতিবেগ সম্পন্ন, সুতীব্ৰ ৰহস্যপূৰ্ণ তথা অত্যন্ত আকৰ্ষণীয় হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস। এই নতুন ধাৰাবাহিকখনৰ সম্পৰ্কে সদৌপাঠক-ৰাইজৰপৰা আমি মতামত আহ্বান কৰিলোঁ।

অমৰবাণী

সংবস্তু মহতাং চিত্তং ভৱত্যুপ্তল কোমলম্।
আবস্তু চ মহাশৈল শিলা সংঘাত কৰ্কশম্॥

[মহৎ লোকসকলৰ মন সুখৰ কালত কুমুদৰ দৰে কোমল আৰু দুখৰ তথা বিপদ কালত শিল-সদৃশ কঠিন হয়।]

বছৰ: ১৪ অকট'বাৰ ১৯৮১ **সংখ্যা: ৭**

খনে: ৩'০০ টকা : : বছৰেকীয়া বৰঙণি: ৩৬'০০ টকা

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

বিজুলী-বোটলা-বেহা

শুনাত অস্বাভাবিক যেন লাগে। তথাপি হয়. যে—জাৰ্মানিৰ ৰিচাৰ্ড ৰিভিজেৰ নামৰ মানুহ এজনে বিজুলী-ঢেৰকনি পৰা বালি বুটলি আনি তাৰে কাঁচৰ গিলাছ বনায়। এইবোৰ গিলাছ হেনো বিজুলী-চমকনিৰ দৰে চমকে!

বান্দৰ-গড়

ছিমলাৰ পাইন গছেৰে আগুৰা পাহাৰত এটি হনুমান মন্দিৰ আছে। ৰামায়ণত বৰ্ণিত হনুমন্তৰ সৈতে বান্দৰবিলাকৰ আন সা-সম্পৰ্ক নাথাকিলেও এইমন্দিৰৰ ভক্তসৱে হনুমন্তলৈ উছৰ্গা কৰা ফল-মুল-মিঠাৰ-পিঠা আনন্দেৰে ভক্ষণ কৰে আৰু মন্দিৰকে নিৰাপদ গড বুলি ভাবে!

পখিলাৰ আক্ৰমণ

অযুত-নিযুত কাকতী ফৰিঙে গাঁও নগৰ খেতি-পথাৰ আক্ৰমণ কৰি সকলো বিনষ্ট কৰা কথা নিশ্চয় শুনিছে। কিন্তু পখিলাই আক্ৰমণ কৰাৰ কথা কেতিয়াবা শুনিছেনে? ইৰাণদেশৰ ডাৰ-গাজ্জ চহৰৰ মটৰচালক আৰু বাটৰুৱাইতক কৌটিয়ে কৌটিয়ে পখিলাই আক্ৰমণ কৰি চকুৰে নেদেখা কৰি পেলাইছিল।

হাতীৰ সত্যাগ্ৰহ



দক্ষিণ ভাৰতৰ মাদুৰাই চহৰৰ এখন থানাৰ সমুখত এটা বিৰাট হাতীয়ে ক'বলৈ গ'লে সত্যাগ্ৰহয়েই কৰিছিল। মাদুৰাইৰ বাট-পথত আৰু ব্যস্ত বজাৰত এই হাতীটোক দেখুৱাই হাতীটোৰ মাউতে পইচা-পাতি সংগ্ৰহ কৰি থকাত পুলিচে মাউতক গ্ৰেপ্তাৰ কৰাত হাতীটোৱে থানাৰ যাই দুৱাৰ আগুৰি ধৰি ওলাব-সোমাব নোৱৰাকৈ থিয় হৈ থকাত পুলিচে বাধ্যত পৰি মাউতক এৰি দিছিল আৰু হাতীটোৱে মাউক পিঠিত বহুৱাই লৈ বিজয়-ধ্বনি কৰি গুচি গৈছিল।

ছঠেঙীয়া

কোনোবা এখন গাঁৱৰ বাটেদি যুৱক এজনে ঘোঁৰা এটাৰ লেকামত ধৰি ঘোঁৰাটোৰ লগে লগে হেঁপাই-ফোঁপাই দৌৰি দৌৰি গৈ আছিল। এনে অভিনৱ দৃশ্য দেখি গাঁৱৰ ঘাটকৰা-বাটকৰা ভেবা লাগিল। যুৱকে ঘোঁৰাটোৰ লগে লগে দৌৰি দৌৰি ভাগৰ-জুগৰ এসময়ত গাঁৱৰ খাজিখোৱা এখনৰ পিৰালিত ভাগৰ সলাবলৈ বহি দিলে।

তেতিয়া খাজিখোৱাৰ মালিকে যুৱকক সুধিলে. "তুমি ঘোঁৰাটোৰ পিঠিত উঠি নগৈনো ঘোঁৰাৰ লগত ঘুমুটি খাই দৌৰি ফুৰিছা কিয় ?"

যুৱকে এই প্ৰশ্নৰ উত্তৰত ক'লে, "মই য'লৈকে যাবলৈ ওলাইছোঁ, তালৈ যিমান শীঘ্ৰে সম্ভৱ যাব লাগিব বুলিহে ঘোঁৰাৰ লগে লগে দৌৰি দৌৰি গৈ আছোঁ।"

যুৱকৰ উত্তৰ শুনি আচৰিত মানি খাজিখোৱাৰ মালিকে ক'লে. "নুবুজিলোঁ। শীঘ্ৰে যাবা যদি—ঘোঁৰাত উঠিলেহে দেখোন বেগাই যাব পাৰিলাহেঁতেন।"

এই কথাৰ উত্তৰত যুৱকে ৰহস্যপূৰ্ণভাৱে হাঁহি থাকিল। তেতিয়া খাজিখোৱাৰ মালিকে পুনৰ তাক একেইবোৰ কথা সুধিলে।

কওঁ-নকওঁকৈ যুৱকে ক'লে, "কথা হ'ল কি—য'লৈকে যাম বুলি ওলাইছোঁ, পোনতে তালৈ খোজ কাঢ়িয়ে যাম বুলি ভাবিছিলোঁ। পিছে—গৰাকীয়ে মোক ঘোঁৰাত উঠি যোৱাৰ পৰামৰ্শ দিলে আৰু ক'লে, 'দুই ঠেঙীয়াতকৈ চাৰি ঠেঙীয়াৰ গতি অধিক হ'বই।' শুনি—মোৰ বিবেক জাগি উঠিল, মই ভাবিলোঁ যে—দুই ঠেঙীয়াতকৈ চাৰি ঠেঙীয়াৰ গতি যদি অধিক হয়েই,—তেনেহ'লে—চাৰিঠেঙীয়াতকৈ ছঠেঙীয়াৰ গতি আৰু অধিক হ'ব নিশ্চয়, আৰু তেতিয়া এই চাৰি চুকৰ এচুকো নেদেখা ঘোঁৰাটোতকৈ বেগাই সেই ঠাই পাবগৈ পাৰিম। তাৰ কাৰণেহে চাৰিঠেঙীয়া ঘোঁৰাৰ লগত মই দুই ঠেঙীয়াই দৌৰি দৌৰি ছঠেঙীয়া হৈছোঁ।"



বেজি আৰু কুঠাৰ

প্ৰাচীনকালত কোশলদেশৰ ৰজা শান্তি-বৰ্ধন আছিল প্ৰজাবৎসল ৰজা। প্ৰজাৰ সুখ-সুবিধায়েই আছিল তেওঁৰ জীৱনৰ ধ্যান-জ্ঞান। কিন্তু ইমান প্ৰজা-মংগলকাৰী ৰজাৰ দেশতো নানান অশান্তি হৈ নথকা নাছিল। কোশলদেশ বৰ ডাঙৰ দেশ। ইমান ডাঙৰ দেশখনৰ ক'ত কি হৈছে-নহৈছে সদা-সৰ্বক্ষণ তাৰ সঠিক সম্বাদ পোৱা টান। ইমান আন্তৰিক সুশাসনৰ চেষ্টা সত্বেও প্ৰজাবৰ্গৰ অসংখ্য অভিযোগ।

এই সমস্যাৰ নিৰসনাৰ্থে ৰজাই উপায় এটা চিন্তিলে ঃ কোনোবা বুদ্ধিমান, চৰিত্ৰৱান তথা চফল যুৱকক ৰজা আৰু প্ৰজাৰ মাজত এক সংযোগ ৰক্ষাকাৰী হিচাপে নিযুক্ত কৰা হ'ব। এই মানুহ-জনৰ কাম হ'ব—প্ৰজাৰ অভিযোগসমূহ সংশ্লিষ্ট ৰাজকীয় বিভাগক জনাই দিয়া, আৰু সেই অভিযোগৰ প্ৰতিকাৰ কৰা হৈছেনে নাই তাৰ খবৰ লোৱা। আৰু—তেওঁৰ অন্যতম অন্য এক গুৰুত্বপূৰ্ণ কাম হ'ব প্ৰকৃত গুৰুতৰ অভিযোগসমূহ ৰজাক পোনে পোনেই ক'বগৈ লাগিব। এই ৰজা-প্ৰজাৰ যোগাযোগকাৰীক কোৱা হ'ব 'প্ৰজা-প্ৰতিনিধি'।

কথাটো ৰজা শান্তিবৰ্ধনে তেওঁৰ মহামন্ত্ৰী কুমাৰভট্টক ভাঙি-পাতি ক'লে।

ৰজাৰ পৰিকল্পনাত কুমাৰভট্টই ভালেই পালে। তেওঁ ৰজাক ক'লে, "আপোনাৰ এই পৰিকল্পনা অতি উত্তম। আমাৰ দেশৰ শাসন যদি 'সৰ্বে জনাস্সুখিনো ভৱন্তু' হয়, তেনেহ'লে এনেহেন 'প্ৰজা-প্ৰতিনিধি'ৰ পদৰ আৱশ্যকতাও নথকা

অনন্ত মেধি



নহয়। পিছে—এই পদাধিকাৰীৰ মাজত সহনশীলতা, অনুশাসনপ্ৰিয়তা আৰু প্ৰজা-বৰ্গৰ একতা আদি সুসংহত কৰাৰ ক্ষমতা তথা গুণ থাকিব লাগিব। ঠিক আছে, এনেহেন গুণসম্পন্ন কোনোবা এজনক নিশ্চয় বিচাৰি উলিয়াব পৰা যাব।"

এই পদৰ বাবে প্ৰাৰ্থী বিচাৰি ৰাজকীয় ঘোষণা কৰা হ'ল আৰু ভালেমান প্ৰাৰ্থী ৰাজধানীলৈ আহিল।

প্ৰাৰ্থীসকলৰ প্ৰাথমিক পৰীক্ষা লোৱাৰ অন্তত মাত্ৰ দুজনক বাছি উলিওৱা হ'ল। এজনৰ নাম সুকুমাৰ আৰু আনজন প্ৰাৰ্থীৰ নাম গুণশীল। এতিয়া এই দুজনৰ চূড়ান্ত পৰীক্ষা কৰি এজনক লোৱা হ'ব।

ওপৰি ওপৰি চাই ৰজাই সুকুমাৰক আৰু মহামন্ত্ৰী কুমাৰভট্টই গুণশীলক ভাল পালে। ৰজাই ক'লে, "মহামন্ত্ৰী, মোৰ বাছনিয়েই শেষ কথা এই কথা মই নকওঁ। শাসনকাৰ্য্যত যথোপযুক্ত পদাধিকাৰী নিযুক্তিৰ ক্ষেত্ৰত আপোনাৰ জ্ঞান-বিবেচনাৰ ওপৰত মোৰ পূৰ্ণ আস্থা আছে। যি কি নহওক, এইবাৰৰ প্ৰাৰ্থীৰ বাছনিৰ ক্ষেত্ৰহে আমাৰ মতৰ ভিন্নতা দেখা গৈছে। আৰু তাৰ কাৰণে—মোৰ প্ৰস্তাৱ হ'ল যে—এই প্ৰাৰ্থী দুজনৰ বাছনিৰ বাবে এওঁলোকক আমাৰ ৰাজগুৰু মাতঙ্গৰ ওচৰলৈ পঠোৱা হওক। তেওঁ যি ক'ব, যাক বাছি উলিয়াব, আমি বিনা প্ৰশ্নে মানি ল'ম।"

কুমাৰভট্টই ৰজাৰ প্ৰস্তাৱ মানি ল'লে আৰু সুকুমাৰ আৰু গুণশীলক ৰাজগুৰু মাতংগৰ ওচৰলৈ পঠালে।

পাছদিনা, দুয়ো পুনৰ ৰাজপ্ৰাসাদ পালেহি। মহামন্ত্ৰীয়ে দুয়োকো সুধিলে, "আমাৰ ৰাজগুৰুজনাই তোমালোকৰ হতুৱা আমালৈ কিবা কৈ পঠাইছেনে?"

দুয়োজন প্ৰাৰ্থীয়েই ৰাজগুৰুৱে দিয়া নিজ নিজ বস্তু মহামন্ত্ৰীৰ আগত থৈ দিলে আৰু ক'লে, "ৰাজগুৰু মাতংগজীয়ে আমাক মুখেৰে একো কোৱা নাই. কেৱল এই বস্তু দুটি আপোনাৰ হাতত দিবলৈ কৈ পঠালে।"

সুকুমাৰৰ হাতত আছিল এখন কুঠাৰ, আৰু গুণশীলৰ হাতত আছিল এটা বেজি।

বস্তু দুটালৈ চাই মহামন্ত্ৰীয়ে মৃদুকৈ হাঁহিলে. কিন্তু ৰজাই কিবা ৰহস্যৰপূৰ্ণতাৰ ইংগিত পাই কিছু গহীন হৈ পৰিল।

মহামন্ত্ৰী কুমাৰভট্টই ৰজাক ক'লে, "মহাৰাজ! আমাৰ গুৰু মাতংগজীয়ে মুখেৰে একো কোৱা নাই; কিন্তু তেওঁ যি কথা ক'ব খুজিছে, সুকুমাৰ আৰু গুণশীলেই সেই কথা আমাক ক'ব। তাৰ বাবে এই দুয়োজনেই পুনৰ পৰীক্ষা দিব লাগিব।"

ৰজা শান্তিবৰ্ধনে মন্ত্ৰীৰ কথাত মূৰ দুপিয়ালে আৰু ক'বলগীয়াখিনি কোৱাৰ বাবে সুকুমাৰলৈ চালে।

মহাৰাজৰপৰা ইংগিত পাই সুকুমাৰে কৈ উঠিল, "মহাৰাজ! গুৰু মাতংগজীয়ে মোক এই কুঠাৰখন দিলে, আৰু এই কুঠাৰখনৰ যোগেদিয়েই মোক মোৰ সামৰ্থ্যৰ প্ৰমাণ দাখিল কৰিবলৈ আওপকীয়াকৈ ক'লে। এই কুঠাৰখন যেনেকুৱা চোকা, মোৰ বুদ্ধি-বৃত্তিও তেনেকুৱা চোকা। এই কুঠাৰে যেনেকৈ কঠিনতম বৃক্ষ:কো কাটি পেলাব পাৰে, ময়ো মোৰ ক্ষুৰধাৰ বুদ্ধি:ৰ যিকোনো সমস্যাৰ সমাধান কৰিব পাৰোঁ। গুৰুজীয়ে এই কুঠাৰকেই মোৰ বুদ্ধিৰ কষটিশিল ৰূপে পঠাইছে আৰু গুৰুজীয়ে নিশ্চয় মোকেই 'প্ৰজা-প্ৰতিনিধি' ৰূপে বাছি উলিয়াইছে।"

সুকুমাৰৰ এই কুঠাৰ-জৰা-কথা শুনি ৰজা শান্তিবৰ্ধন প্ৰশান্ত তথা প্ৰসন্ন হ'ল।

তাৰ পাছত গুণশীলে নম্ৰতাৰে নিজৰ কথা নিবেদন কৰিবলৈ ধৰিলে, "মহাৰাজ, মহামন্ত্ৰী! অনুগ্ৰহ কৰি এই নাভাবিব যে মই মোৰ সহযোগী প্ৰাৰ্থী সুকুমাৰক কোনো অপমানসূচক কথা কৈছোঁ। কুঠাৰৰ বিষয়ে সুকুমাৰে যি কৈছে, প্ৰায়ভাগেই সত্য কথা। তথাপি এটা কথা সুকুমাৰে ক'বলৈ পাহৰি গৈছে যে—কুঠাৰে যিকোনো বস্তুক কেৱল খণ্ড-বিখণ্ডহে কৰিব পাৰে। কিন্তু বেজিয়ে যিকোনো ফটা-ছিঙা বস্তুক চিলাব তথা যোৰা লগাব পাৰে। গতিকে—কুঠাৰ হ'ল বিনাশৰ চিন, আৰু বেজি হ'ল একতাৰ বা যোৰা লগোৱাৰ চিন, তথা প্ৰকৃত প্ৰতিনিধি।"

গুণশীলৰ কথাখিনি শুনি মহাৰাজ শান্তিবৰ্ধন কিছু পৰিমাণে বিভ্ৰান্ত হৈ পৰিল আৰু কুমাৰভট্টলৈ চালে।

মহামন্ত্ৰী কুমাৰভট্টদেৱে ৰজাক ক'লে, "মহাৰাজ, গুণশীলৰ কথা হ'ল প্ৰকৃততেই তাৎপৰ্য্যপূৰ্ণ কথা। সুকুমাৰো অৱশ্যে বুদ্ধিমান; কিন্তু তাৰ মাজত সহনশীলতা আৰু একতাৰ মূল্যবোধৰ পৰিমাণ অতি কম। আমাৰ মাতংগ গুৰুজীয়ে বেজিৰ ক্ষমতাৰ যোগেদিয়েই গুণশীলক নিৰ্বাচন কৰি পঠাইছে। তেওঁৰ এই নিৰ্বাচন যে কিমান সঠিক—সুকুমাৰ আৰু গুণশীলৰ কথাখিনি শুনি নিশ্চয় তাৰ উমান ল'ব পাৰিছে। দেখাত ডাঙৰ আৰু চোকা বস্তু পাই—প্ৰজা-প্ৰতিনিধিৰ পদটো সিয়েই পাব বুলি সুকুমাৰ অহংকাৰী হৈ উঠিছিল। কিন্তু দেখাত সৰুতকৈ সৰুতো যে অপাৰ গুণৰ ভঁৰাল থাকিব পাৰে, গুণশীলে নিশ্চয় সেই কথাটো ফটফটীয়াকৈ বুজাব পাৰিলে। গতিকে—'প্ৰজা-প্ৰতিনিধি'ৰ বাবে যোগ্য প্ৰাৰ্থী গুণশীলেই হ'ব লাগে।"

মহামন্ত্ৰীৰ যুক্তিপূৰ্ণ কথা সানন্দে মানি মহাৰাজ শান্তিবৰ্ধনে গুণশীলৰ গুণৰ শলাগ লৈ 'প্ৰজা-প্ৰতিনিধি'ৰ পদত নিযুক্তি দিলে।

পিতা-পুত্ৰ

৪

হুবহু
সত্যনাৰায়ণৰূপী
সূৰ্য্যপ্ৰসাদক ৰান্ধনী মানুহজনীয়ে
ক'লে, "বোপা, খানা খাবা আহাঁ। দুপৰীয়া
আধাপেটি খাই গুচি গ'লাগৈ।" খানা খাই থাকোঁতে ৰান্ধনীয়ে
সূৰ্য্যপ্ৰসাদক অতি কোমল মাতেৰে সুধিলে, "আজি পঢ়াশালিত
পণ্ডিতে তোমাক খুব পিটিলেনে?" ৰান্ধনী মানুহজনীৰ কথা শুনি সূৰ্য্যপ্ৰসাদৰ
মুখখন ক'লা পৰিল। শূৰ্য্যপ্ৰসাদে এই কথাৰ উত্তৰ নিদিয়াকৈ ৰান্ধনীক সুধিলে, "মোক
কোনোবাই বিচাৰি আহিছিলনে?" "তোমাক বিচাৰি কোননো আহিব?" ৰান্ধনীয়ে
ক'লে। সূৰ্য্যপ্ৰসাদে সত্যনাৰায়ণৰ কথা সুধিব বুলি ভাবিও কেনেকৈ
যে কি সুধিব ঠাৱৰ কৰিব নোৱাৰি ৰৈ দিলে। কিন্তু
ভাগ্যক্রমে ৰান্ধনীয়ে কৈ উঠিল " তোমাৰ দেউতাৰাক
বিচাৰি ভালেমান মানুহ আহিছিল। কিন্তু তেওঁৰ
গা-টো হেনো ভাল লগা নাই। সেইকে
দুই-এজনৰ লগত কথা-বতৰা
পতাৰ পাছত তেওঁ শুই
থাকিলগৈ।"

●

সূৰ্য্যপ্ৰসাদে কোঠাৰ দুৱাৰত ঢকিয়াই মাতিলেগৈ,“সত্য—সত্য—,সত্যনাৰায়ণ!”

কিছু সময়ৰ পাছত ভিতৰৰপৰা উত্তৰ আহিল, “আৰে! তুমি!”

“হয় হয়, দুৱাৰ খোলা, তোমাৰ লগত কথা আছে।” দেউতাকে ক’লে।

“নহ’ব, এতিয়া মই অলপ শুইছোঁ। ৰাতি কথা হ’ম।” পুতেকে কোঠাৰ দুৱাৰ নোখোলাকৈ ক’লে।

তেতিয়া সূৰ্য্যপ্ৰসাদে বমকি উঠি ক’লে, “তই দুৱাৰ খুলিবিনে নাই—তাকে ক’।”

কিন্তু তিমানতে ঘৰৰ কাম কৰা মানুহ নৰবাহাদুৰ তাত ওলালহি আৰু সত্যনাৰায়ণৰূপী সূৰ্য্যপ্ৰসাদৰ চোলাত ধৰি তাৰপৰা টানি টানি লৈ গ’ল।

নৰবাহাদুৰে সূৰ্য্যপ্ৰসাদক ক’লে, “শুনা, তোমাৰ ধৰণ-ধাৰণ কথা-বতৰা বৰ বেয়া হৈ উঠিছে, তোমাৰ দেউতাৰাক যদি কওঁ কথাবোৰ— তেওঁ তোমাক ভালকৈ মেৰামতি কৰিহে এৰিব।” এই বুলি কৈ সি তাক এৰি গুচি গ’ল।

সূৰ্য্যপ্ৰসাদে ভাবিলে: মোৰ দেখিছোঁ এতিয়া—তলে শিল ওপৰে কিল! চিনাকি মানুহবিলাকক চিঠি লিখি মোৰ এই দুৰাৱস্থাৰ কথা জনাওঁনে কি? এই অথান্তৰীয়া অৱস্থাৰপৰা ৰক্ষা পৰোঁনো কেনেকৈ? এতিয়াই—অলপ পাছতেই সেই মৰিশালি পঢ়াশালিলৈ যাব লাগিব। কি বোলে — সত্যৰ — সত্যনাৰায়ণৰ আচল ৰহস্য ওলাই নপৰালৈকে তাৰ সম্পৰ্কেও কোনেও একো ভবা-গুণা নকৰিব। — এখন্তেক ৰৈ সূৰ্য্যপ্ৰসাদে পুনৰ ভাবিলে: তাতকৈ—মই যদি তাতকৈ ক’ৰবালৈ পলাই যাওঁ—তেনেহ’লে কিজানি অৱস্থাৰ কিছু উন্নতি হ’ব পাৰে। কিন্তু—মই পলাই যোৱাৰ কথা কেনেবাকৈ সত্যনাৰায়ণে গম পায় যদি—সি মোক যাবলৈ বাধা দিব, হৈ-চৈ কৰিব, মোৰ যোৱাৰ নামতে যোৱা-খোৱাহেন হ’ব। আৰু সৰকিম

যে—ধন তো লাগিব, ধন পাম ক'ত ? তাৰো মুদা মৰিল। —অতঃপৰ সূৰ্য্য-প্ৰসাদে শুদা হাতেৰে ঘৰ এৰি পলাই যাবলৈ মনস্থিৰ কৰিলে।

ৰান্ধনী মানুহজনীৰ আৰু ঘৰৰ অন্যান্যবো চকুক ফাঁকি দি গৈ গৈ ৰেল-ষ্টেশন পালেগৈ। আঢ়ৈ বজাত গাড়ী এৰিব, আৰু সেই গাড়ীত উঠি বহু দূৰলৈ গুচি যাব পৰা হ'ব। কিন্তু—ক'লৈ যে যাব, আৰু গৈ কি যে কৰিব — সূৰ্য্যপ্ৰসাদে কথাটো ভাবিও নোচোৱা হ'ল।

ইপিনে — কোঠাৰ দুৱাৰত ভিতৰফালৰ ডাং লগাই দি সত্যনাৰায়ন বহি থাকিল। মাজত এজন মানুহ আহিছিল, তাক দহ টকা ধাৰলৈ লাগে। অলপ পাছত আন এজন মানুহ আহিল, আৰু ক'লে যে সূৰ্য্যপ্ৰসাদৰপৰা তেওঁ বিছ টকা পাব। পুনৰ কিবা এটা সমস্যাত পৰি আন এজন মানুহ ওলালহি।

এইবোৰ কাম কৰি কৰি সত্যনাৰায়ণৰ মূৰৰ বিষ উঠিল; কিন্তু আটাইতকৈ ভয়ংকৰ কথা আছিল এয়ে যে এতিয়াৰ-পৰা চাকৰ নৰবাহাদুৰ আৰু আনকি ৰান্ধনী মানুহজনীয়েও তালৈ ঘনে ঘনে কেঁৰা-চকুৰাকৈ কিবা যেন পৰীক্ষা কৰি চাইছে। সি এটা কথাত নিশ্চিন্ত হৈ আছিল, যে তাক কোনেও সন্দেহ কৰা নাই; কিন্তু তাৰ সেই নিশ্চিন্ততা এতিয়া দুশ্চিন্তাত এতিয়া পৰ্য্যৱসিত হৈছে। ৰান্ধনীৰ চাৱন আৰু কথন-মথনতো সন্দেহৰ লা-লক্ষণ ফুটি-ফাটি ওলাইছে। মুঠতে—কোনো কাৰণেই সন্দেহ হ'ব নালাগিছিল। কিন্তু মস্কিল হ'ল যে—সি একোপধ্যেই বয়সস্থৰ দৰে আচাৰ-ব্যৱহাৰ কৰিব পৰা নাই ? আৰু তাৰ আঠ-ন বছৰীয়া কোমল মুখ-খনত পঞ্চাছ বছৰীয়াৰ ছাঁ পৰিলে কি হ'ব—তাৰ খোজে-কথাই সেই সৰু সৰু গৰু গৰু ভাব বৈ গ'ল। আৰু—এই জ্বৰতকৈ দাহ অধিক হোৱালৈ যে কোনেও

মন কৰাই নাই, তাকো বা কেনেকৈ কোৱা যায় ?

ৰাতি আঠমান বজাত ৰান্ধনীয়ে ক'লেহি “বাবুজী, মুন্না [বোপা] এতিয়ালৈকে ঘৰ পোৱাহি নাই ।”

“কি কৈছানো ? পাঠশালাৰপৰা এতিয়ালৈকো পোৱাহি নাই নে ?”

“সি দেখোন পাঠশালালৈ যোৱাই নাই। সি খেলিবলৈ যোৱা বুলিহে মই ভাবিছিলোঁ। ৰান্ধনীয়ে ক'লে।

“তুমি তাক ডাবি মাৰি পাঠশালালৈ নপঠালা কেলেই ?”

“হেঁঃ—” ৰান্ধনীয়ে ক'লে, “কি যে নকৈছে ! এতিয়া তাক একেবাৰে দেখা যম যেনহে লাগে ।”

সত্যনাৰায়ণে ভাবিলেঃ মই যি ভাবিছিলোঁ সেয়ে হ'ল দেখিছোঁ।

"সি মৰিলনো ক'লৈ গৈ ?” সত্য-নাৰায়ণে চিঞৰি চিঞৰি ক'লে। তাৰ মনত ভয় সোমাল যে তাৰ দেউতাকে কিবা-নহয়-কিবা প্ৰকাৰে সঁচাখিনি সকলোতে সদৰি কৰিবই।

“ল'ৰাৰ বাবে চিন্তা নকৰিলেও হ'ব, সি উভতি নাহিনো ক'ত মৰিবগৈ। আপুনি খাই লওকহি।” ৰান্ধনীয়ে ক'লে।

“মই অলপ পাছত খাম !” সূৰ্য্য-প্ৰসাদৰূপী সত্যনাৰায়ণে ক'লে।

“নাখালেই হ'বনে ? খোৱা-বোৱাৰ দুই ঘণ্টা পাছত শুব লাগিব বুলি বেজে কোৱা নাই জানো ? যি পাৰে খাই লওক, এনেয়েও আপোনাৰ গা বৰ ভাল হৈ থকা নাই।” এই বুলি কৈ ৰান্ধনীয়ে সূৰ্য্যপ্ৰসাদৰূপী সত্যনাৰায়ণক ইটো-সিটো খাবলৈ দিলে।

ৰাধ্যত পৰি খাই-বৈ যেতিয়া নিজৰ কোঠালৈ যাবলৈ খোজ ল'লে, ঠিক তেতিয়া পিছফালৰপৰা কোনোবা এজনে কৈ উঠিল, “আৰে ঐ সূৰ্য্য !”

শুনিয়েই সত্যনাৰায়ণৰ কলিজাত

কঁপনি উঠিল। এই গহীন-গম্ভীৰ মানুহজন হ'ল তাৰ দেউতাকৰ সৰু কালৰ বন্ধু, উকীল। এওঁ যেতিয়াই আহে, দেউতাকে যিকোনো কাম কাতি কৰি থৈ এওঁৰ কথা শুনে।

এই কাৰণে সত্যনাৰায়ণে পৰমানন্দ উকীলক ওপৰ মহলালৈ গ'ল। চকী এখনত বহি লৈ পৰমানন্দ উকীলে বেল-বেলকৈ বলকিয়েই থাকিল। এই বলকনিৰ সাৰমৰ্ম আছিল ইমানেই যে কাইলৈ সূৰ্য্যপ্ৰসাদে আদালতলৈ য'ব লাগিব। আৰু কোন কথাৰ কোন উত্তৰ দিব লাগিব বিচাৰকৰ আগত তাকো কৈ থাকিল, যদি সূৰ্য্যপ্ৰসাদৰূপী সত্যনায়াৰাণে উকীলৰ কথাৰ মাথা-মুণ্ড একো ধৰিব নোৱাৰিলে। সূৰ্য্যপ্ৰসাদৰূপী সত্যনাৰায়ণে তেতিয়া ভাবি আছিল যে কাইলৈ সঁচা-সঁচিকৈ আদালতলৈ যাবনে কিবা বাহানা জুৰিব নাযাবলৈ।

ৰাতি এইবোৰ কথা ভাবি ভাবি তাৰ একদম টোপনি নহা হ'ল।

আৰু ভাবি ভাব এসময়ত তাৰ মনত দেউতাকলৈ মৰম উপজিল। সি ভাবিলে: দেউতাৰ প্ৰতি মই ঢেৰ অন্যায়-অবিচাৰ কৰিলোঁ। দেউতাইনো মোক কি বেয়া কথা কয়? তেওঁ কয়: ঠিকমতে পঢ়িবা-

লিখিবা, ডাঙৰসকলক শ্ৰদ্ধা-ভক্তি কৰিবা, তেওঁলোকৰ কথা মানিবা। দেউতাই পঢ়া-লিখা কৰিছিল বুলিহে সংসাৰখনৰ ইমান আও-ভাও জনা হৈছিল। যি কি নহওক, মই পুনৰ এই ৰূপ গুচি দেউতাৰ আদৰৰ সত্যনাৰায়ণ হ'ব পাৰিলে আৰু কেতিয়াও আগৰ দৰে আঁকোগোজালি বা বদমাছি নকৰোঁ।

ঠিক তেতিয়াই সত্যনাৰায়ণৰূপী সূৰ্য্য-প্ৰসাদ আন্ধাৰে-মুন্ধাৰে ঘৰৰ খটখটিৰ ওপৰত অকলশৰে আমন-জিমনকৈ আৰু ফেঁচাৰামুটোৰ দৰে বহি আছিল।

টিকেট নোহোৱাৰ কাৰণে ৰেলৰ



ডবাৰপৰা টিকেট পৰীক্ষকে সত্যনাৰায়ণ-ৰূপী সূৰ্য্যপ্ৰাদক গতিয়াই উলিয়াই দিছিল।

তাৰ পাছত—টিকেট-পৰীক্ষকে য'ত ৰেলৰ ডবাৰপৰা নমাই দিছিল, তাৰপৰা যোল্ল মাইল খোজ কাঢ়ি কাঢ়ি আহি ভোকে-পিয়াহে ধোঁৱা-কোঁৱা দেখি ৰাতি এঘাৰ বজাত ঘৰ পাইছেহি। আন্ধাৰে-মুন্ধাৰে বহি বহি তেওঁ ভাবি থাকিল ঃ আৰু এটা দিনো এনেকৈ সৰু ল'ৰাৰ ৰূপত থকাটো অবিহিত হ'ব। কেতিয়াবা ময়ো এটা সৰু ল'ৰা হৈ আছিলোঁ, কিন্তু তেতিয়াৰ সুখ-দুখ এতিয়া পাহৰিলোঁৱেই। আৰু নিজৰ ল'ৰাটোক মই সুখৰ মুখ দেখুৱাবলৈ পাহৰি তাক কৰল গাহৰি পিটনে পিটিলোঁ, গালিহে পাৰিলোঁ, মৰম নকৰা হ'লোঁ! ঈশ্বৰৰ অনুগ্ৰহত যদি পুনৰ মই আগৰ ৰূপ ঘূৰাই পাওঁ—তেনেহ'লে এতিয়াৰপৰা সত্যক মই সঁচাসঁচিকৈ মৰম চেনেহ কৰিম। কেতিয়াও ককৰ্থন-বিকৰ্থনা নকৰিম।

এইবোৰ কথা-কাণ্ড প্ৰত্যক্ষ ভাৱে চাই দেৱী লক্ষ্মীয়ে দেৱতা সত্যনাৰায়ণ-স্বামীক ক'লে, "হে স্বামিন্! এই দুজনৰ মনোবাসনা পূৰ্ণ কৰক!"

স্বামী সত্যনাৰায়ণে পত্নী লক্ষ্মীদেৱীৰ অনুৰোধত সন্মত হ'ল, আৰু মুহূৰ্ততে এই ৰূপ গুচি সূৰ্য্যপ্ৰসাদ পুনৰ সত্য নাৰায়ণলৈ আৰু সত্যনাৰায়ণ সূৰ্য্যপ্ৰসাদলৈ ৰূপান্তৰিত হৈ পৰিল।

লক্ষ্মীদেৱীয়ে ক'লে, "এতিয়াৰপৰা দুয়ো নিশ্চয় সুখী হ'ব।"

"কি হ'ব-নহ'ব,—তুমি নিজ চকুৰেই দেখা পাবা।" স্বামী সত্যনাৰায়ণে ক'লে।

সূৰ্য্যপ্ৰসাদ বহাৰপৰা খটখটিৰ ওপৰত দাং খাই থিয় দিলে। তেওঁৰ ধাৰণা হ'ল তেওঁ বহুত ওপৰলৈ উঠি গ'ল। কিন্তু তেওঁ যে পুনৰ আগৰ দৰে ওখ-পাখ হৈছিল, সেই কথা তেতিয়ালৈকো তেওঁ সমূলি নাজানিছিল। তেওঁ ভাবিলে ঃ

এনে দুপৰ ৰাতি যদি কোঠাৰ দুৱাৰত জোৰেৰে খটখটাওঁ, সকলোটিয়েই সাৰ পাই যাব আৰু নানান প্ৰশ্নেৰে মোক থকা-সৰকা কৰিব।

তেওঁ অতি লাহেকৈ টুকুৰিয়ালে; কিন্তু টুকুৰিউৱাৰ ললে লগেই ৰান্ধনী মানুহজনীয়ে পট্‌কৈ দুৱাৰ খুলি দিয়েই বুঢ়া সূৰ্য্যপ্ৰসাদক দেখা পাই চিঞৰি কৈ উঠিল, "বাবুজী! আপুনি দেখোন সৌটো কোঠাত টোপনিয়াই আছিল, কেতিয়ানো পলাই আহিল! কোঠাৰ দুৱাৰ বন্ধ কৰিছিল কোনে?"

কিন্তু সূৰ্য্যপ্ৰসাদে ৰান্ধনীৰ কথাৰ কোনো উত্তৰ নিদিলে। ইমান দিনৰ পাছত ৰান্ধনীয়ে 'বাবুজী' বুলি—'দেওতা' বুলি মৰম কৰি মাতিলে তেও। হঠাৎ তেওঁৰ মনত কিব এটা সন্দেহ হ'ল। তেওঁ নিজৰ মুখখনত হাত ফুৰালে। হয়, মোচকোচা আকৌ আগৰ দৰে হ'ল দেখোন। চচমাযোৰো ঠিকেঠাকেই আছে দেখোন! আনন্দৰ আবেগত তেওঁ কান্দি দিলে, মুখৰপৰা মাতেই নোলাল তেওঁৰ।

ইপিনে--ৰান্ধনীৰ চিঞৰ-বাখৰ শুনি সূৰ্য্যপ্ৰসাদৰূপী সত্যনাৰায়ণো তললৈ নামি আহিল।

আৰু লগে লগে পুনৰ আগৰ ৰূপ ঘূৰাই পোৱা সত্যনাৰায়ণক সূৰ্য্যপ্ৰসাদে চকু পকাই কৈ উঠিল, "হাৰে বদমাছ! এতিয়াহেনে তোৰ খেলা শেষ হ'ল? তোক এতিয়াই পটাত পিহা দিম ৰঃ—।"

"মোৰ নহয়, তোমাৰহে খেল সাং হ'বৰ হ'ল।" সক ল'ৰা সত্যনাৰায়ণেও দেউতাকক ঘূৰাই ধৰিলে।

"দেখিলাই নহয়—? মানুহে নিজক নিজে শুধৰাই নল'লে কেৱল দেৱতাৰ বৰেৰে শুদ্ধ-পৱিত্ৰস্বভাৱৰ হ'ব নোৱাৰিব।" সত্যনাৰায়ণস্বামীয়ে মৃদুকৈ হাঁহি হাঁহি লক্ষীদেৱীক ক'লে। [অন্ত]

কোনে কাক ঠগে

গুণপুৰত গগন নামৰ এজন আলুগুটিৰ বেপাৰী আছিল। এদিন এই আলুৰ বেপাৰীয়ে গাঁওবুঢ়াক গোচৰ দিলেগৈ, "হুজুৰ, আমাৰ গাঁৱৰ কমলাই যে ঘিউ-মাখন বেচে যে—, আপুনি নিশ্চয় জানে। কমলায়েই মোৰ দোকানলৈ পঠাই দিয়ে। কিন্তু তাই সদায় একিলোতকৈ অলপ কমকৈ মাখন দিয়ে, মোক ঠগে।"

এই অভিযোগ শুনি গাঁওবুঢ়াই আচৰিত মানিলে। কমলাক তেওঁ চিনি পাইছিল আৰু অতি সৎ স্বভাৱৰ বুলিহে জানিছিল। যি কি নহওক, গাঁওবুঢ়াই কমলাকমতাই পঠিয়ালে আৰু তাই অহাৰ পাছত তাইক গগনৰ গোচৰৰ কথা কোৱাৰ অন্তত সুধিলে, "কমলা, তুমি ঘিউ-মাখন কেনেকৈ ওজন কৰা কোৱাচোন?"

গাঁওবুঢ়াৰ এই প্ৰশ্নৰ উত্তৰত কমলাই ক'লে, "চাওক, মই প্ৰতিদিন গগনৰ দোকানৰ-পৰা একিলোকৈ আলু লওঁ। গগনৰ নাতি ল'ৰাটোৱে যেতিয়া একিলো মাখন নিবলৈ আহে তেতিয়া মই গগনৰ আলু একিলো তুলাচনীত উঠাই মাখন ওজন কৰি দিওঁ।"

তেতিয়া গাঁওবুঢ়াই গৰ্জি উঠি গগনক ক'লে. "এতিয়া বুজিছা চাগে'—কোনে কাক ঠগে?"



‘মহাবীৰ’

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ’ল আৰু গছৰ ডালত ওলমি থকা শ’টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ’ৰ মাজত থকা বেতালে কৈ উঠিল, “হে ৰজা, জগতৰ প্ৰতিগৰাকী ৰজা-মহাৰজায়েই আত্ম-গৰিমা তথা যশো-প্ৰাৰ্থী। তোমাৰো ইচ্ছা যদি সেয়ে, উপায় আছে; তাৰ কাৰণে মাজনিশা এনেকৈ মৰিশালিত খেপিয়াই ফুৰিবৰ আৱশ্যকতা নাই। মোৰ কথাৰ প্ৰমাণ স্বৰূপে মই তোমাক শৰণাগত নামৰ এগৰাকী ‘মহাবীৰ’ৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি বাট বুলি বুলি গৈ থাকিলে পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ’ব।” এই বুলি বেতালে ক’বলৈ ধৰিলে:

‘বেতাল-কথা’

বৈশালী ৰাজ্যৰ শাসক মহাৰাজ শৰণাগত আছিল শান্তিপ্ৰিয়, প্ৰজাবৎসল কিন্তু ক্ষত্ৰিয়োচিত বীৰ্য্যৱান ৰজা। মহাৰাজ শৰণাগত অন্যান্য ৰাজ্যৰ ৰজাৰ প্ৰতি আছিল অত্যন্ত মিত্ৰ ভাৱাপন্ন আৰু তেওঁ ভুলতো যুদ্ধৰ কথা নকৈছিল।

*

এবাৰ সৌবীৰ ৰাজ্যৰ ৰজা কালবৰ্মাই বৈশালী আক্ৰমণ কৰিবলৈ আঁচনি কৰিলে। মহাৰাজ শৰণাগতৰ এই শান্তি-প্ৰিয়তাক ৰজা কালবৰ্মাই ভীৰুতা বুলি গণ্য কৰি অকস্মাৎ সেনাবাহিনীৰে সৈতে বৈশালীৰ সীমা পাৰ হৈ সোমাল। এই দুঃসংবাদ পোৱা মাত্ৰেই মহাৰাজ শৰণাগতই কটকীৰ হতুৱাই কালবৰ্মালৈ বাৰ্তা প্ৰেৰণ কৰিলে : 'হে ৰাজন্! আপোনাৰ ৰাজ্যলিপ্সা চৰিতাৰ্থ কৰাৰ বাবে আমাৰ দুয়োখন দেশৰ সৈন্যসকল অকাৰণে বলি হোৱাটোত মোৰ অত্যন্ত অনিচ্ছা। আপোনাৰ নিজৰ শক্তিৰ প্ৰতি আস্থা যদি ইমানেই প্ৰবল, মোৰ বিৰুদ্ধে দ্বন্দ্ব-যুদ্ধত অৱতীৰ্ণ হওক। মই যদি পৰাজিত হওঁ, মই বিনা প্ৰশ্নে আপোনাক মোৰ এই ৰাজ্য সমৰ্পণ কৰিম, তথা স্বেচ্ছাই আপোনাৰ বন্দীত্ব বৰণ কৰি ল'ম। আৰু—আপুনি যদি মোৰ ওচৰত পৰাজিত হয়, তেনেহ'লে আপোনাৰ ৰাজ্য বিনা-প্ৰশ্নে মোক সমৰ্পণ কৰিব।"

*

কালবৰ্মাই মহাৰাজ শৰণাগতৰ চৰ্ত মানি ল'লে। স্থিৰ কৰা হ'ল যে—মহাৰাজ শৰণাগতৰ দুৰ্গৰ সমুখস্থ বিৰাট ময়দানত এই দ্বন্দ্ব-যুদ্ধ অনুষ্ঠিত হ'ব।

*

যথাসময়ত মহাৰাজ শৰণাগত আৰু ৰজা কালবৰ্মাৰ মাজত তৰৱাৰি-যুদ্ধ লাগি পৰিল। অসংখ্য প্ৰজাই এনে এক অভিনৱ যুদ্ধ অবাক হৈ চাবলৈ ধৰিলে। অলপ সময়ৰ অন্তত কালবৰ্মাৰ হাতৰ তৰৱাৰি

উফৰি পৰিল, আৰু মহাৰাজ শৰণাগতৰ তৰৱাৰিয়ে ৰজা কালবৰ্মাৰ কণ্ঠ স্পৰ্শ কৰি বৈ গ'ল।

ৰজা কালবৰ্মাই কোনো প্ৰকাৰৰ দ্বিধা নকৰি মিজৰ পৰাজয় মানি ল'লে, আৰু ক'লে, "মহাৰাজ! দ্বন্দ্ব-যুদ্ধৰ চৰ্ত অনুসাৰে মোক আপুনি বন্দী কৰক আৰু মোৰ ৰাজ্য লওক?"

কালবৰ্মাৰ এই কথাৰ একো উত্তৰ নিদিয়াকৈ মহাৰাজ শৰণাগতই তেওঁৰ ৰাজসভালৈ কালবৰ্মাক লৈ গ'ল আৰু তাত অ-ভাৱিত ৰাজকীয় আদৰ-আপ্যায়ন জ্ঞাপন কৰি কালবৰ্মাক ক'লে, "মহাৰাজ কালবৰ্মা, আপোনাৰ ৰাজ্য অধিকাৰ কৰাৰ মোৰ কোনো ইচ্ছাও নাই, আৰু আৱশ্যকতাও নাই। আপোনাৰ ৰাজ্য আপুনিয়েই ৰাজত্ব কৰি থাকক।"

আশ্চৰ্য্যান্বিত আৰু লজ্জিত কালবৰ্মাই শৰণাগত মহাৰাজক ক'লে, "মই আপোনাৰ প্ৰতি অতি মূৰ্খৰ দৰে আচৰণ কৰিছিলোঁ। তেনেস্থলত হে মহাৰাজ শৰণাগত! কেনেকৈনো মোৰ প্ৰতি এই-দৰে ক্ষমা প্ৰদৰ্শন কিৰছে?"

"আপুনি মূৰ্খ হোৱাহেঁতেন দ্বন্দ্ব-যুদ্ধৰ প্ৰস্তাৱ নিশ্চয় মানি নল'লেহেঁতেন আৰু এনেকৈ মানৱতাৰ পৰিচয়ো দাঙি নধৰিলেহেঁতেন। আপুনি প্ৰকৃত মানৱতা প্ৰদৰ্শন কৰা বাবেহে মই আপোনাৰ প্ৰতি আদৰ-অভ্যৰ্থনা প্ৰদৰ্শন কৰিছোঁ।" এই বুলি কোৱাৰ অন্তত উদাৰচিতীয়া তথা ধাৰ্মিক মনৰ মহাৰাজ শৰণাগতই পৰাজিত ৰজা কালবৰ্মাক সসন্মানে তেওঁৰ নিজ ৰাজ্যলৈ ওভোতাই পঠালে।

*

এই ঘটনাই মহাৰাজ শৰণাগতৰ যশ-প্ৰতিষ্ঠা প্ৰজাবৰ্গৰ মাজত অধিকতকৈও অধিক বৃদ্ধি কৰিলে।

*

কিছু দিনৰ অন্তত বৈশালী ৰাজ্যত



চুৰি-ডকাইতিৰ ঘটনা অত্যন্ত বাঢ়িল। ৰাতিৰ কথা বাদেই, আনকি দিনে-পোহৰেও চোৰে চুৰি ডকাইতে ডকাইতি কৰিবলৈ ধৰিলে। আৰু প্ৰজাবৰ্গই বাধ্যত পৰি ৰজাক এই বিষয়ে গোচৰ দিবলৈ ধৰিলে।

ৰজাই কঠোৰ আদেশ জাৰী কৰিও চোৰ বা ডকাইত এটাকো ধৰিব নোৱাৰিলে। মাত্ৰ ইমানকে জানিলে যে ডকাইতৰ দুৰ্দান্ত চৰ্দাৰ নাগভৈৰৱ বৈশালী-দেশৰ পূব সীমাৰ অটব্য অৰণ্যত থাকে।

*

নাগভৈৰৱক ধৰিব পৰাজনক দহ হেজাৰ মুদ্ৰাৰে পুৰস্কৃত কৰা হ'ব বুলি ৰজাই ঘোষণা কৰিলে আৰু পুৰস্কাৰৰ লোভত কিছুমান সাহিয়াল যুৱকে দুৰ্দান্ত নাগভৈৰৱক যেনেতেনে ধৰিবলৈ ওলাই লোভৰ লাঁউজালত পৰি প্ৰাণ হেৰুৱালে।

*

আৰু অৱশেষত স্বয়ং মহাৰাজ শৰণাগত ডকাইত ধৰিবলৈ ওলাল। তেওঁ দহজন অতি সাহসী সৈন্যক তেওঁৰ পিছে পিছে আহি থাকিবলৈ ক'লে আৰু তেওঁ নাগ-ভৈৰৱ থকা অটব্য অৰণ্যলৈ সোমালগৈ।

*

মহাৰাজ শৰণাগতই অৰণ্যত নাগ-ভৈৰৱক বিচাৰি ফুৰোঁতে অকস্মাৎ এটা প্ৰচণ্ড বাঘে তেওঁৰ ওপৰত জঁপিয়াই পৰিল।

কিন্তু জঁাপ মাৰি দিয়াৰ লগে লগে বিৰাট মোচ একোচাত তাও দি দি এজন যুৱক যেনিবা কৰবাৰপৰা পাতাল ফালি তাত ওলাল।

যুৱকে মহাৰাজ শৰণাগতক সুধিলে, "তুমি কোন? তুমি কোনোবা চিকাৰীনে কি? তোমাৰ নাম কি?"

"হয়, মই চিকাৰী। মোৰ নাম নীলকণ্ঠ। তুমি বাঘটোক হত্যা কৰি মোৰ প্ৰাণ ৰক্ষা কৰিলা। —তুমিনো কোন?" ৰজাই সুধিলে।

"মোৰ নাম নাগভৈৰৱ। মোৰ নামত কেৱল ৰাইজেই নহয়, মোৰ নাম শুনি এই এই দেশৰ ৰজায়ো কঁপে।" যুৱকে ক'লে আৰু হাঃকৈ হাঁহি হাঁহি অৰণ্য কঁপাই তুলিলে।

ইতিমধ্যে ৰজাৰ পিছে পিছে আহি থকা সৈন্য দহজনো সেই ঠাইৰ ওচৰ পাইছিলহি। মহাৰাজ শৰণাগতই নাগ-ভৈৰৱক বন্দী কৰিবলৈ সিহঁতক ইংগিতেৰে আদেশ দিলে আৰু দুৰ্দান্ত ডকাত নাগ ভৈৰৱ বন্দী হ'ল।

বন্দী নাগভৈৰৱে ৰজাক ক'লে, "মহাৰাজ! মিথ্যা পৰিচয় প্ৰদান কৰি আপুনি মোক বন্দী কৰিলে। কিন্তু মনত ৰাখিব—মই আপোনাৰ প্ৰাণদাতা। বাঘৰ গৰাহৰপৰা মইহে আপোনাক ৰক্ষা কৰিলোঁ। হে মহাৰাজ! যদি সাহস আছে মোৰ বিৰুদ্ধে খড়্গযুদ্ধ কৰক।"

ৰজা শৰণাগতই সৈন্যহঁতক ক'লে, "ই অতি দুৰ্দান্ত ডকাইত, ইয়াক অতি সাৱধানতাৰে লৈ যোৱা আৰু কাৰাগাত ভৰাই থোৱা।"

এই ঘটনাৰ এমাহমানৰ অন্তত এদিন শকত-আৱত মানুহ এজনে ৰজা শৰণাগতক ক'লেহি, "মহাৰাজ, মোৰ নাম কৰালকণ্ঠ। মই তান্ত্ৰিক। যক্ষিণী দেৱীক যথোচিত পূজা আগ কৰিবলৈ সংকল্প কৰিছোঁ মই। আৰু তাৰ কাৰণে এমাহলৈ প্ৰতি দিন





এটিকৈ বালক বলি হিচাপে দেৱীলৈ উছৰ্গা কৰিব লাগিব। দিনে এটিকৈ বালক যোগাৰ কৰাটো—মোৰ পক্ষে বাঁও হাতৰ কেঞা আঙুলিৰ খেল; কিন্তু কোনোবা ৰজাই যদি এই বালকবোৰক সংগ্ৰহ কৰি দিয়ে—দেৱী অধিক তুষ্ট হ'ব যদি এই কামত মোক সহাশতো ক'ৰে—মই আপোনাক আসমুদ্ৰ মালয়ৰ ৰাজচক্ৰৱৰ্তী পাতি দিম।"

শুনি মহাৰাজ অত্যন্ত ক্ৰুদ্ধ হ'ল, আৰু তেওঁ তেওঁৰ তৰৱাৰি দাঙি লৈ তান্ত্ৰিকক খেদি গ'ল। কিন্তু তান্ত্ৰিকে তাৰ মন্ত্ৰশক্তিৰে মহাৰাজৰ উদ্যত তৰৱাৰিক ভস্ম কৰি পেলালে।

তান্ত্ৰিকে দৃঢ় কণ্ঠেৰে ক'লে, "মহাৰাজ, মোক পৰাস্ত কৰিবপৰা কোনো মনুষ্য এই পৃথিৱীত ওপজা নাই। আপুনি মোক সহায় নকৰা হয় যদি, আপোনাৰেই দুৰ্ভাগ্যৰ কথা, মোৰ ক্ষতি নাই।" এই বুলি কৈ তান্ত্ৰিক তৎক্ষণাৎ গুচি গ'ল।

আৰু পাছ দিনাৰেপৰাই বৈশালী ৰাজ্যৰ অসংখ্য সৰু সৰু ল'ৰা নোহোৱা হৈ থাকিল। এই কাম যে কৰালকণ্ঠৰ, সেই কথা বুজাত ৰজাৰ পলম নহ'ল আৰু কৰালকণ্ঠক বিচাৰি উলিয়াবলৈ চাৰিওফালে চোৰাংচোৱা মেলি দিলে।

*

কৰালকণ্ঠ আছিল এক বাঘে পোৱালি পোৱা হাবিৰ এটা গুহাত। এই গুহাত থকা যক্ষিণীদেৱীৰ মূৰ্তিৰ সমুখত মন্ত্ৰ মাতি যেতিয়া তান্ত্ৰিক কৰালকণ্ঠই বালক এটি বলি দিবলৈ উদ্যত হ'ল, ঠিক তেতিয়াই চোৰাংচোৱাৰ মুখে সন্ধান পাই মহাৰাজ শৰণাগত তাত উপস্থিত হ'লগৈ আৰু তথোৱালেৰে কৰালকণ্ঠক কাটি পেলালে।

পাছ মুহূৰ্ততে দেৱী যক্ষিণীয়ে শৰণাগত মহাৰাজক ক'লে, "হে মহাবীৰ! তোমাৰ সাহস অদ্বিতীয়। মই তোমাক এই মন্ত্ৰঃপূত খড়্গ প্ৰদান কৰিছোঁ।"

শৰণাগতই ভক্তি ভাৱেৰে মন্ত্ৰঃপূত খড়্গ লৈ পুনৰ ৰাজপ্ৰাসাদ পালেহি।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, যিজন শৰণাগতই কালবৰ্মাক দ্বন্দ্ব-যুদ্ধলৈ অৰহ্বান কৰিছিল, সেইজনেই কিন্তু বাঘৰ গৰাহৰপৰা তেওঁৰ ৰক্ষাকাৰী নাগভৈৰৱৰ খড়্গ যুদ্ধৰ আহ্বান প্ৰত্যাখ্যান কৰিছিল। প্ৰাণৰক্ষাকাৰী নাগভৈৰৱৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন নকৰি তাক কৌশলেৰে বন্দী কৰিছিল। এনেকুৱা অকৃতজ্ঞ, অপকৌশলী মানুহ এজন দেৱী যক্ষিণীয়ে 'মহাবীৰ' বুলি অভিহিত কৰিছিল কিয়? নিশ্চয় এই কথাত কিবা-নহয়-কিনা ৰহস্যৰ উত্তৰ ৰহস্য আছে। এই জানিও সঠিককৈ যদি নোকোৱা, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব এই কথা ধ্ৰুৱ।

বেতালৰ কথাৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "মহাৰাজ শৰণাগতৰ কাৰ্য্যাৱলী ৰাজনীতিৰ অংগস্বৰূপ। কালবৰ্মাক দ্বন্দ্ব যুদ্ধলৈ আহ্বান কৰি তেওঁ দুয়োখন দেশৰ সৈন্যবাহিনীক অকাৰণে মৃত্যুৰপৰা ৰক্ষা কৰিছিল; কিন্তু নৰহন্তা ডকাইত নাগভৈৰৱক দেশৰ প্ৰজাৰ মংগলৰ কাৰণেই কাৰাগাৰত বন্দী কৰি থৈছিল। এখন দেশৰ প্ৰজাপালক ৰজা হিচাপে বালকহন্তা তান্ত্ৰিককো কাটি পেলাইছিল। মহাৰাজৰ এইবোৰ কাৰ্য্যৰ আঁৰত একো ৰহস্য নাছিল—আছিল মাত্ৰ জনকল্যাণৰ চিন্তা। এই কাৰণেই, মহাৰাজৰ সাহসী কাৰ্য্যক্ৰমক শলাগি দেৱী যক্ষিণীয়ে তেওঁক 'মহাবীৰ' বুলি অভিহিত কৰিছিল। যিকোনো দৃষ্টি কোণৰপৰা বিচাৰ কৰিলে মহাৰাজ শৰণাগতৰ এনেবোৰ কাৰ্য্যাৱলীক সৎকাৰ্য্য বুলি ক'ব লাগিব।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

লোভৰ কোব

শিৰপুৰীৰ ৰজা ধৰ্মনন্দনৰ দুই পত্নী, দুই পুত্ৰ। ডাঙৰজনী পত্নী সুবৰ্ণদেৱীৰ পুত্ৰৰ নাম আছিল বিজয়সেন আৰু সৰুজনী পত্নী তেজোৱতীৰ পুত্ৰৰ নাম সত্যসেন।

ৰজা ধৰ্মনন্দন যেতিয়া যথেষ্ট বৃদ্ধ হ'ল তেতিয়া দেশৰ শাসনভাৰ তথা ৰজাৰ দায়িত্ব পুত্ৰদ্বয়ৰ মাজত এজনক দিবলৈ ৰজাই মন মেলিলে। কিন্তু এই দেখা কথাতো অলপ আউল লাগিল।

ডাঙৰ ৰাণীৰ পুত্ৰ বিজয়সেন আছিল সৰু ৰাণীৰ পুত্ৰ সত্যসেনতকৈ বয়সত সৰু। কিন্তু ডাঙৰ ৰাণীয়ে তেওঁৰ পুত্ৰকে ৰাজ্যভাৰ তথা ৰাজত্ব দিবলৈ ৰজাক খাটিলে, যদিও সৰুৰাণীৰ পুত্ৰ বয়সত জ্যেষ্ঠ হোৱাত সিংহাসন ৰীতি অনুসাৰে তেওঁৰ প্ৰাপ্য।

ৰজা ধৰ্মনন্দনে কোনো ৰাণীক দুখ নিদিব বুলি ভাবিছিল যদিও পুত্ৰ বিজয়সেনক অধিক ভাল পাইছিল।

দোমোজাত পৰি ৰজাই কথাটো তেওঁৰ যোগ্য মহামন্ত্ৰী বিদ্যাসাগৰক ভাঙি-পাতি কোৱাৰ লগত ইয়াকো ক'লে যে তেওঁ বৰ ৰাণীৰ পুত্ৰ বিজয়সেনক ৰাজ্য-ভাৰ দিয়াৰ পক্ষপাতী।

শিৰপুৰী ৰাজ্যৰ চুবুৰীয়া গংগাপুৰ ৰাজ্যৰ ৰজা অমৰেন্দ্ৰ আছিল ৰজা ধৰ্মনন্দনৰ সৰু ৰাণীৰ তেজোৱতীৰ ভাতৃ। ৰজা অমৰেন্দ্ৰ আছিল নিঃসন্তান। সেই কাৰণে, তেজোৱতীৰ পুত্ৰ সত্যসেনক তেওঁৰ সিংহাসন অৰ্পণ কৰিব বুলি স্থিৰ কৰিছিল, আৰু—শিৰপুৰীৰ ৰজাৰ জ্যেষ্ঠপুত্ৰ হিচাপে এই শিৰপুৰী ৰাজ্যৰ উত্তৰাধিকাৰী হোৱাটোকো বাঞ্চা কৰিছিল।

শ্ৰীৰাজ চাংকাকতী

দেশিকাচাৰ্য্য আছিল এগৰাকী ডাঙৰ তথা মান্যমান পণ্ডিত। শিৰপুৰীৰ তথা অন্যান্য ৰাজ্যৰ ৰজায়ো বিভিন্ন সমস্যাৰ সমাধানৰ বাবে তেওঁৰপৰা পৰামৰ্শ লৈছিল।

ৰজা অমৰেন্দ্ৰয়ো দেশিকাচাৰ্য্যক সুধিলেগৈ যে সত্যসেনে শিৰপুৰীৰ উত্তৰাধিকাৰ পাব পাৰেনে নোৱাৰে।

সকলো কথা শুনাৰ অন্তত দেশিকাচাৰ্য্যই ক'লে যে শিৰপুৰীৰ ঘটনাৱলী অত্যন্ত জটিল। গতিকে যথেষ্ট ভবা-গুণা বিচাৰ-বিবেচনা কৰিহে এই বিষয়ে ক'বলগাখিনি ক'ব পৰা যাব।"

শিৰপুৰীৰ মহামন্ত্ৰীয়ে ৰজা অমৰেন্দ্ৰৰ মনোভাৱৰ কথা জানিব পাৰি তেওঁক ক'লেগৈ, "মহাৰাজ, আমি জানিব পাৰিছোঁ যে আপুনি আপোনাৰ ভনী-ল'ৰা সত্যসেন শিৰপুৰীৰ সিংহাসনৰ উত্তৰাধিকাৰী হোৱাটোকে বিচাৰে। যদিহে ইয়াকে বিচাৰে, তেনেহ'লে বৰ ৰাণীৰ পুত্ৰ বিজয়সেনক তোলনীয়া পুত্ৰ হিচাপে লৈ তাক আপোনাৰ ৰাজ্যৰ উত্তৰাধিকাৰী হিচাপে ঘোষণা কৰক। যদিও আপোনাৰ ৰাজ্য শিৰপুৰীতকৈ সৰু, তথাপি, আমি ডাঙৰ ৰাণীক সন্মত কৰিম তেওঁৰ পুত্ৰৰ বাবে শিৰপুৰীৰ সিংহাসন দাবী নকৰিবলৈ।"

ৰজা অমৰেন্দ্ৰই ক'লে, "এই কাৰ্য্য অসম্ভৱ। মই সত্যকহে দত্তক হিচাপে ল'ব পাৰোঁ। শিৰপুৰী সত্যই পাবনে নাপায় সেই কথা ন্যায় আৰু ধৰ্মসংগতভাৱে আপোনালোকেই বিচাৰ-বিবেচনা কৰক।"

তাৰ পাছত অমৰেন্দ্ৰ ৰজাই সত্যসেনক তোলনীয়া পুত্ৰ হিচাপে লোৱাৰ অনুমতিৰ বাবে মহাৰাজ ধৰ্মনন্দনলৈ জৰুৰী বাৰ্তা প্ৰেৰণ কৰিলে।

মহাৰাজ ধৰ্মনন্দনে এই কথাত তেওঁৰ মহামন্ত্ৰী বিদ্যাসাগৰৰপৰা পৰামৰ্শ বিচাৰিলে।

"মহাৰাজ, আপুনি সত্যসেনক

তোলনীয়া হিচাপে লোৱাৰ বাবে ৰজা অমৰেন্দ্ৰক অনুমতি দিয়ক। এই কথাৰ আঁৰত কিছু কাৰণো নথকা নহয়।" মহামন্ত্ৰীয়ে ক'লে।

মহাৰাজ ধৰ্মনন্দনৰপৰা অনুমতি পাই ৰজা অমৰেন্দ্ৰই সত্যসেনক আনুষ্ঠানিক-ভাৱে তোলনীয়া হিচাপে ল'লে, আৰু তাক গংগাপুৰ ৰাজ্যৰ উত্তৰাধিকাৰীৰূপে ঘোষণা কৰিলে।

এই ঘটনাৰ কিছুদিনৰ অন্তত মহাৰাজ ধৰ্মনন্দন, তেওঁৰ ৰাণী স্বৰ্গৰাকী আৰু ৰজা অমৰেন্দ্ৰই যুক্তভাৱে দেশিকাচাৰ্য্যক আমন্ত্ৰণ কৰি লৈ আহিলগৈ। মহামন্ত্ৰী বিদ্যাসাগৰে দেশিকাচাৰ্য্যক ক'লে, "হে মহানুভৱ! আমাৰ শিৱপুৰীৰ উত্তৰাধি-কাৰীৰ নিৰ্বাচনত অতি জটিল সমস্যাৰ সৃষ্টি হৈছে। আপুনি ন্যায়-ধৰ্মেৰে এই সমস্যাৰ সুচিন্তিত সমাধান দিব বুলি আমি সৰে আশা কৰিছোঁ।"

মৃদুকৈ হাঁহি দেশিকাচাৰ্য্যদেৱে ক'লে, "হয়, এই সমস্যা যে জটিল আছিল— সেই কথাত সন্দেহ নাই; কিন্তু ৰজা অমৰেন্দ্ৰই সত্যসেনক তোলনীয়া হিচাপে লোৱাত সেই জটিল সমস্যাৰ সৰল সমাধান হৈ গ'ল। দত্তক-পুত্ৰ হিচাপে সেই ৰাজ্যলৈ গুচি যোৱাৰ লগে লগে সত্যসেনে এই ৰাজ্যৰ ওপৰত স্বাভাৱিকতেই অধিকাৰ হেৰুৱাব, আৰু একমাত্ৰ বিজয়সেনেই হ'ব এই ৰাজ্যৰ প্ৰকৃত অধিকাৰী।"

তেতিয়াহে ৰজা অমৰেন্দ্ৰই গমিলে যে তেওঁ অতি লোভত পৰি ছলত কাণ কাটিবলৈ লৈ সকলো ছলিৰ মেল কলৰ ভেল কৰি পেলালে। শিৱপুৰীৰ মহামন্ত্ৰী বিদ্যাসাগৰৰ বুদ্ধিমতে তেওঁ বিজয়সেনক তোলনীয়া হিচাপে লোৱাহেঁতেন, তেওঁৰ ভনীয়েকৰ ল'ৰা সত্যসেনেই বিশাল ৰাজ্য শিৱপুৰীৰো ৰজা হ'ব পাৰিলেহেঁতেন।



চান্দমামা

জ্ঞান ভাণ্ডাৰ

অবাক পৃথিৱীৰ আশ্চৰ্য

ৰোমৰ কলোছিয়াম

ৰোমৰ এই বিশাল প্ৰেক্ষাগাৰত—যি প্ৰেক্ষাগাৰৰ অট্টালিকা আজিৰ আধুনিক স্টেডিয়ামৰ দৰে—চল্লিছৰপৰা পঞ্চাছ হেজাৰ দৰ্শক বহিব পাৰিছিল। সম্ৰাট নিৰোৰ 'গ'ল্ডেন হাউছ'ৰ ওচৰতে এই প্ৰেক্ষাগৃহ সজা হৈছিল।

খৃষ্টাব্দৰ আৰম্ভণিতে অৰ্থাৎ এক খৃষ্টাব্দত এই কলোছিয়াম উদ্‌ঘাটন কৰা হৈছিল। ৰোমৰ ৰাজ-পৰিয়ালৰ লোকসকলে ইয়াত বিভিন্ন অনুষ্ঠান চাই মনোৰঞ্জন কৰিছিল। প্ৰেক্ষাগৃহৰ ৰংগমঞ্চত কয়দীইঁতৰ ওচৰত বাঘজাতীয় জন্তু এৰি দিয়া হৈছিল আৰু এনেকুৱা আন বহুতো ভয়াবহ বিপদজনক খেল অনুষ্ঠিত হৈছিল। এই কলোছিয়ামৰ ভালেখিনি ভগ্নাৱশেষ আজিও বিদ্যমান।



তল-মূৰ

কেনেকৈ কি কৰিব লাগিবঃ

চিত্ৰত দেখুউৱা মতে এডাল হাতুৰী তেনেকৈ মাৰি এডালৰ লগত ফিতাৰে বান্ধি মেজৰ গাত ভেজা দি থৈ দিব লাগিব। মাৰিডাল মেজৰ ওপৰৰ ফালে আৰু হাতুৰীটো তল-মূৰীয়াকৈ ওলোমাই থ'ব লাগিব।

কি আৰু কিয় হয়ঃ

সাধাৰণতঃ ই তুলাচনীৰ দৰে হৈ পৰে। কিন্তু হাতুৰীৰ মূৰৰ ফালে অলপ জোৰেৰে হেঁচি দিলে ই তললৈ বাগৰি পৰিব। যি কি নহওক, এই হাতুৰীৰৰ ওজন সদায় মেজৰ তলৰ ফালেহে অধিক হয় আৰু যেতিয়া অধিক হেঁচা পৰে তেতিয়া ইফালে-সিফালে লৰক-ফৰক কৰে। কিন্তু হেঁচা এৰি দিলেই হাতুৰীৰ মূৰটো পুনৰ ওপৰৰ পিনে দাং খাই উঠে আৰু আগৰ দৰে হৈ পৰে। তেনেকৈ নহয়নে বাৰু? নিজেই পৰীক্ষা কৰি চোৱা।

এই কামটি কেতিয়ানো আটাইতকৈ সহজ হৈ উঠে? হাতুৰীৰ মূৰটোৰ ওজন মেজৰ তলৰ ফালেনে ওপৰৰ ফালে অধিক হয়? যদি সঠিককৈ ক'ব নোৱাৰা পৰীক্ষা কৰি নোচোৱা কিয়?

হাতুৰীডালক মাৰি-ফিতাৰে নাবান্ধি আন প্ৰকাৰেও বান্ধিব পাৰিনে, যাৰদ্বাৰা ওজনৰ কামটো তেনেকৈয়েই সহজভাৱে কৰিব পাৰি? চেষ্টা কৰি চোৱাচোন।

ভাৰতৰ অতীতলৈ

এভুমুকি

১. কুম্ভমেলা কোন কোন ঠাইত পতা হয় ?
২. হিমালয়ক কোনে 'দেৱতাত্মা' বুলি কৈছিল ?
৩. ভিয়েতনামত ভাৰতবাসীয়ে স্থাপন কৰা ৰাজ্যখনৰ নাম কি ?
৪. এই ৰাজ্য কেতিয়া স্থাপিত হৈছিল ?
৫. এই ৰাজ্য কিমান দিনলৈকে বৰ্তি আছিল ?
৬. কোন দেশৰ ৰজা আজিকোপতি 'ৰাম' উপাধিৰে ভূষিত ?
৭. ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথমজন সভাপতি কোন আছিল ?
৮. ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন ক'ত পতা হৈছিল ?
৯. কোনগৰাকী পাৰ্শী দেশপ্ৰেমিক ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি আছিল ?
১০. ১৯৮৯ চনত ভাৰতৰ জাতীয় কংগ্ৰেছৰ বয়স কিমান হৈছিল ?

আমাৰ সাধাৰণ জ্ঞানৰ সাত-সোতৰ

১. ন'বেল বঁটা কেতিয়াৰপৰা প্ৰচলন হৈছিল ?
২. ন'বেল বঁটাৰ সংস্থাপকৰ সম্পূৰ্ণ নাম কি ?
৩. তেওঁ কোন দেশৰ অধিবাসী ?
৪. তেওঁ কিহৰ কাৰণে বিখ্যাত আছিল ?
৫. আটাইতকৈ বৃহৎ ৰাজপ্ৰাসাদ কোনটো ?
৬. স্পুটনিক-২ ৩ উঠি মহাশূন্যলৈ যোৱা কুকুৰটোৰ নাম কি আছিল ?
৭. স্পুটনিক-১ আৰু ২ কোন চনত মহাশূন্যলৈ পঠোৱা হৈছিল ?
৮. ছোভিয়েতৰ আকাশীযানৰ দ্বিতীয় পৰ্য্যায়নাম কি ?
৯. হিমালয়ৰ কাঞ্চনজংঘা শৃংগ কোনে আৰু কেতিয়া জয় কৰিছিল ?
১০. মাউণ্ট এভাৰেস্ট কোনে আৰু কেতিয়া জয় কৰিছিল ?

ভাৰতৰ সকলো ভাষাত এটা শব্দ
শিকোঁ আহাঁ

মস্তক

সংস্কৃত : শীৰ্ষ, মস্তক ; হিন্দী আৰু পঞ্জাৱী : সিৰ , উৰ্দু : সৰ ; কাশ্মিৰী : হীৰ ;
সিন্ধী : মাথো ; মৰাঠী : ডোকে ; গুজৰাটী : মাথু ; বাংলা : মাথা ;
অসমীয়া : মূৰ ; ওড়িয়া : মুণ্ডা, মাথ ; তেলুগু আৰু
মলয়ালম : তল ; তামিল : তলৈ ; কন্নড় : তলৈ ;

বিশ্বাস কৰানে ?

১. আটাইতকৈ ডাঙৰ পাঠশালাখন বিলাতৰ ক'ৰবাত আছে ?
২. আটাইতকৈ ডাঙৰ কলিজ (College) খন আমেৰিকাত ?
৩. আটাইতকৈ ডাঙৰ ছিনাগগ অৰ্থাৎ ইহুদি ধৰ্মমন্দিৰ ইস্রায়েলত ?

নহয়।

১. কলিকতাত, 'ছাউথ পয়েন্ট স্কুল'।
২. স্যুইজাৰল্যাণ্ডত।
৩. ন্যুয়ৰ্কত, ইমানুৱেল ছিনাগগ।

উত্তৰ

ইতিহাস

১. নাসিক আৰু উজ্জয়িনীত প্ৰতি তিনি বছৰৰ বাদে বাদে আৰাক প্ৰয়াগ আৰু হৰিদ্বাৰত বাৰ বছৰৰ বাদে বাদে।
২. কালিদাস।
৩. চম্পা।
৪. খৃষ্টীয় দ্বিতীয় শতিকাত।
৫. ১৫ শতিকালৈকে।
৬. থাইলেণ্ড।
৭. ডাব্লু চি বানাৰ্জি।
৮. বম্বেত।
৯. দাদাভাই নওৰোজী।
১০. ১১৪ বছৰ।

সাধাৰণ জ্ঞান

১. ১৯০১ চনত।
২. আলফ্ৰেড ন'বেল।
৩. স্যুইডেন।
৪. ডিনামাইট আৱিষ্কাৰৰ কাৰণে।
৫. ভেটিকান (ইতালি)।
৬. লাইকা।
৭. ১৯৫৭ চনত।
৮. ল্যুনিক ১, ২ আৰু ৩।
৯. ডি. চাৰ্লছ ইভানৰ নেতৃত্বত ইউকে'ৰ এটি দলে, ১৯২৫ চনত।
১০. ১৯৫৬ চনৰ ২৯ মে'ত, এডমাণ্ড হিলাৰি আৰু টেনজিং নোৰগেই।

নেহৰু-উপাখ্যান-৮

১৯২৬ চনৰ মাৰ্চ মাহত জৱহৰলালে তেওঁৰ অসুস্থ পত্নী কমলাক স্যুইজাৰলেণ্ডলৈ লৈ গ'ল স্বাস্থ্য পৰিৱৰ্তনৰ বাবে লগত সৰু ছোৱালী ইন্দিৰাও গৈছিল।

ইঅ'ৰোপত থকা কালছোৱাত জৱহৰলালে তাত বহু সংখ্যক নিৰ্বাসিত ভাৰতীয় নেতাক লগ পাইছিল। এই উল্লেখযোগ্য ভাৰতীয় নেতাসকলৰ মাজত শ্যামজী কৃষ্ণ বেৰা, ৰাজা মহেন্দ্ৰপ্ৰতাপ আৰু মাদাম কামাও আছিল।

১৯২৭ চনত মতিলালে জৱহৰলালৰ লগত লগ লাগিলগৈ ইঅ'ৰোপত। ৎজাৰৰ ৰুছিয়া ছোভিয়েতলৈ পৰিৱৰ্তিত হোৱাৰ ১০ম বাৰ্ষিকী উৎসৱত যোগদান কৰিবলৈ তেওঁলোক মস্কোলৈ গ'ল। মস্কো-পৰিদৰ্শন অতি সুফলদায়ী হৈছিল।



১৯২৭ চনৰ শেষৰ ফালে মাদ্ৰাজত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনৰ আগে জৱহৰলাল ভাৰতলৈ উভতি আহিল। তেওঁ তেতিয়া আছিল কংগ্ৰেছৰ ছেক্ৰিটাৰি আৰু ছেক্ৰিটাৰি হিচাপে তেওঁ পোনে পোনেই ভাৰতৰ পূৰ্ণ স্বাধীনতাৰঁ দাবী প্ৰস্তাৱউত্থাপন কৰিলে।

১৯২৭ চনত বৃটিছ চৰকাৰে ভাৰতৰ শাসন-ব্যৱস্থাৰ বেহ-ৰূপৰ আলেখ-লেখ ল'বলৈ স্যাৰ জন চাইমনৰ নেতৃত্বত এটি কমিটি ভাৰতলৈ প্ৰেৰণ কৰিলে। এই কমিটিত কংগ্ৰেছে কেইগৰাকীমান ভাৰতীয়কো অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাইছিল ; কিন্তু বৃটিছ চৰকাৰে কমিটিত কেৱল ইংৰজ লোককহে ল'লে।

চাইমন কমিশ্যন বৰ্জন কৰিবলৈ কংগ্ৰেছে সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু কমিশ্যন ভাৰতৰ য'লৈকে গৈছিল তাতে ক'লা পতাকা আৰু 'চাইমন—গুচি যোৱা' বুলি ধ্বনিৰে বিক্ষোভ প্ৰদৰ্শন কৰিলে।

লাহোৰত লালা লাজপত ৰাই-ৰ নেতৃত্বত চাইখন কমিশ্যনৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শিত হ'ল। তাত এজন যুৱা বয়সৰ ইংৰাজ অফিচাৰে তেওঁৰ বেটন অৰ্থাৎ টোকোন এডালেৰে লালা লাজপতৰ বুকুত সজোৰে মাৰিলেগৈ আৰু লালাজী তললৈ বাগৰি পৰিল।

লালাজী আছিল অতি শ্ৰদ্ধেয় নেতা। লালাজীৰ ওপৰত এই অসভ্য আচৰণৰ ফলত ভাৰতীয়সকল অগ্নিসম ক্ৰুদ্ধ হৈ জ্বলি উঠিল। কেইসপ্তাহমানৰ পাছত লালাজীৰ মৃত্যু হ'ল। জনসাধাৰণৰ মনত এই ধাৰণা বদ্ধমূল হ'ল যে এই অবিবেচক ইংৰাজ অফিচাৰৰ প্ৰচণ্ড প্ৰহাৰৰ ফলতহে লালাজীৰ মৃত্যু হৈছে।

চৰকাৰে শোভাযাত্ৰা আদি নিষিদ্ধ কৰাত জৱহৰলালে লখনৌত বিৰাট বিক্ষোভ প্ৰদৰ্শন কৰিলে। জৱহৰলালকো ঘোঁৰা চোৱাৰী পুলিচে প্ৰচণ্ড প্ৰহাৰ কৰিলে।

পাছদিনা চাইমন কমিশ্যন লখনৌ চহৰলৈ আহিল আৰু তেতিয়া জৱহৰলালৰ নেতৃত্বত বিক্ষোভ প্ৰদৰ্শন হ'ল। ঘোঁৰা চোৱাৰী পুলিচ-বাহিনীও বিক্ষোভকাৰী-সকলৰ ওপৰত জঁপিয়াই পৰিল, আৰু নিৰ্মমভাৱে প্ৰহাৰেৰে জৰ্জৰিত কৰিলে।

জৱহৰলালেও পুনৰ প্ৰচণ্ড আঘাত পালে। ক্ৰুদ্ধ-ক্ৰুদ্ধ জৱহৰলাল যিকোনো ধৰণৰ প্ৰহাৰৰ বাবে সাজু হ'ল ; কিন্তু তেওঁৰ বন্ধুবৰ্গই তেওঁক তাৰপৰা আঁতৰাই লৈ গ'ল। আৰু বৃটিছ পুলিচৰ নিৰ্মমতা কল্পনাকৰিব নোৱৰা হৈ উঠিল।

পঞ্জাবৰ অধিবাসী বিৰাট নেতা লালা লাজপত ৰাইৰ মৃত্যু আৰু বিদেশী শাসকৰ অতি নিৰ্মম আৰু অন্যায় অত্যাচাৰৰ প্ৰতিবাদত ভগত সিঙেও বৃটিছৰ বিৰুদ্ধে আঘাত হানিলে। তাৰ ফলত ভগত-সিং শ্বহীদ হ'ল। [আগলৈ

আঁকত পাক

সহদেৱ আৰু মহাদেৱ ভাই-ককাই আৰু দুয়োজনেই বেজ হ'লে কি হ'ব, বেজালিত দুজনৰ মাজত বিস্তৰ প্ৰভেদ। সহদেৱে বেমাৰীক পৰীক্ষা-নিৰীক্ষা কৰি পইচা-পাতিৰ হিচাপ নকৰাকৈয়েই ঠিক ঠিকমতে দৰব-পাতি দিছিল, বেমাৰীয়ে সামৰ্থ্য অনুযায়ী মাননী হিচাপে যি দিছিল তাৰেই তুষ্ট হৈছিল ; কিন্তু মহাদেৱৰ কথা হ'ল : কড়ি দিবা লেখি, দৰব দিম দেখি। যেন কড়ি তেন দৰব, এয়ে হ'ল তাৰ বেজালিৰ গৰব।

আৰু তাৰ ফলত—সহদেৱৰ লোকপ্ৰিয়তা দিনে দিনে বাঢ়ে, আৰু বিন্দু বিন্দু পানীৰে সাগৰ হোৱাৰ দৰে, পাই পাই পাইয়েই পা-পইচাৰ গছ হয়। কিন্তু মহাদেৱৰ হয় বিপৰীত। বেমাৰী সিমান নহাই হয়, বেমাৰীহঁতে তাৰ নামত প্ৰায় ববীয়া অঁকা হয়।

অৱস্থা বেয়ালৈ ঢাল লোৱাত মহাদেৱৰ ঘৈণীয়েকে মহাদেৱক থেকেচিবলৈ ধৰিলে, "বোলোঁ—বহি খালে যে কুবেৰৰ ধনেও নাটে নাজানেনে কি? যদি আয়-উপাৰ্জনৰ মুদা মৰিছেই—কোনো এজোপা গছত চিপজৰী ল'লেই হয় দেখোন! দশৰথৰ এগছ কুটা দুগছ নকৰি সংসাৰৰ কোনটোৱেনো জীয়াই আছে? দল টানিলেহে মাগুৰ খাব পাৰি, নহ'লে ধেল-ওপভাহে দিব পাৰি। আমাৰো হৈছে সেইহে। ছেঃ, এওঁহে মৰদ কহলাব আহিছে!"

দিনো পুৱা-গধূলি এনেবোৰ গালি-শপনি শুনি শুনি জলা-কলা হৈ এদিন মহাদেৱে বেজালি এৰি বনলৈ গুচি গ'ল

নবনীতা চৌধাৰী



আৰু এজোপা জংগলী বেলগছৰ ডালত ফঁচি লগাই মৰিবলৈ সাজু হ'ল।

ঠিক তেতিয়াই তাত এটা গুহাৰপৰা ৰাক্ষস এটা ওলাই আহিল আৰু মুখৰ বাজ নুগুচা মহাদেৰক ক'লে, "হাৰে ৰে ৰে ৰে ৰে ৰে—! হেই মানুহৰ পো, কিনো ধেমালিখন লগাইছ হোঁ—!"

ৰাক্ষসক দেখি ভয়ো কিছু হ'ল, আৰু লগতে মূৰত তাৰ মতলবো এটা জাগিল। মহাদেৱে ৰাক্ষসটোক ক'লে, "ভাই, মই কোনো ধেমালি কৰা নাই। এনেকৈ জংগলী বেলগছত চিপজৰী লৈ বতাহত ওপঙি মৰিব পাৰিলে মই আমাৰ স্বৰ্গী ককা-আতাহঁতক দেখা পাওঁ। বুইছানে?"

শুনি ৰাক্ষস তধা লাগিল। ৰাক্ষসটোৱে ক'লে, "হাঁ—আঁ! তেনেহ'লে—তুমি অলপ আঁতৰি দিয়াচোন চাওঁ, মই মোৰ-ককা-আতাহঁতক এবাৰ এপলক অলপ চাই লওঁ—।" এই বুলি কৈ, সেই চিপ-জৰীত ৰাক্ষসটোৱে নিজেই ওলমি দিলে।

হাজাৰ হওক ৰাক্ষসৰ দেহা। আৰু ডাল হ'ল সাধাৰণ গছৰ ডাল। ৰাক্ষসে ওলমি দিয়াৰ লগে লগে গছৰ ডাল মৰ্‌মৰ্‌কৈ ভাগি পৰিল, আৰু ৰাক্ষসটোৰ দেহা ক্ষত-বিক্ষত হ'ল। তাৰ কঁকাল ভগাত ৰাক্ষসটোৱে বহু চেষ্টাতো আনকি থিয় হ'ব নোৱাৰিলে। মহাদেৱে যে তাক ভাঁৰিলে, আৰু ভাঁৰি এই ফান্দত পেলালে, সেই কথাটো ৰাক্ষসটোৱে হাড়ে-হিমজুৱে বুজি পালে আৰু মহাদেৱলৈ শিলৰ টুকুৰাবোৰ দলিয়াব ধৰিলে।

মহাদেৱ ভয়ৰ কোবত উধা-মুধাকৈ দৌৰি দৌৰি কাঁইটীয়া জোপোহাত সোমাই পৰিল, আৰু ক্ষত-বিক্ষত অৱস্থাত কথমপি ঘৰলৈ উভতি গ'ল।

গোটেই গা-ৰপৰা তেজ বিৰিঙি থকাত মহাদেৱৰ ঘৈণীয়েকে সুধিলে, "কি হ'ল? ক'ত-হ'ল? কেনেকৈ হ'ল?"

মহাদেৱে সকলো কথা ভাঙি-পাতিয়েই

ক'লে তাৰ ঘৈণীয়েকক।

শুনি মহাদেৱৰ ঘৈণীয়েকে ক'লে, "যি হ'ল, ভালেই হ'ল।"

"তুমি বলিয়াজনী হ'লানে কি! যি হ'ল—তাৰেনো আমাৰ কোনখিনি ভাল হ'ল?" মহাদেৱে আচৰিত হৈ সুধিলে।

ঘৈণীয়েকে ক'লে, "শুনা, কটা বেমাৰী-মখা যে তোমাৰ কাষ নাচাপে—তাৰ কাৰণ তোমাৰেই ককাইদেউৰা। কোৱাঁ, হয়নে নহয়। এতিয়া চাই থাকা—মই আঁকত পাক লগাওঁ কেনেকৈ।"

তাৰ পাছত মহাদেৱৰ ঘৈণীয়েক গ'ল সহদেৱৰ ঘৰলৈ। গৈ জায়েকক ক'লে, "বাইদেউ, তোমাৰ দেওৰক জংঘলত ৰাইকুহে দেখা দি এমোনা সোণৰ মুদ্ৰা দি'লে। কিমাননো গণ্তি কৰি থাকিম? তুমি তোমাৰ সৰু পাইলাটো অলপ দিবানে? সোণৰ মোহৰখিনি জুখি আকৌ ওভোতাই দিম।"

সহদেৱৰ পৰিবাৰে কথাটো সিমান বিশ্বাস নকৰিলে। যি হওক পাইলাটোৰ তলৰ ফালে অলপ তেঁতেলী লগাই দিলে।

পাইলাটো ঘৰলৈ লৈ যোৱাৰ পাছত মহাদেৱৰ ঘৈণীয়েকেও এই তেঁতেলী লগোৱালৈ মন নকৰাকৈ নাথাকিল। এই কথাত তাই ভালেই পালে। এইবাৰ! তাই যি কৰিব, তাৰে সহদেৱে জংগললৈ যাব লাগিব, আৰু আহত-ক্ৰুদ্ধ ৰাক্ষসে

নিশ্চয় তাক মাৰি পেলাব। দেখা যাব—বেমাৰীমখা যায় ক'ত, তাইৰ গিৰিয়েৰৰ ওচৰলৈ আহেনে নাহে।

পাইলাটো যেতিয়া ওভোতাই দিলে, তেতিয়া মহাদেৱৰ ঘৈণীয়েকে তাইৰ ককাকৰ দিনৰ সাঁচতীয়া সৰু মোহৰ এটা পাইলাটোৰ তলত লগাই দিলে। চাই সহদেৱৰ পৰিবাৰৰ চকু কপালত উঠিল আৰু গিৰিয়েকক তৎক্ষণাৎ ৰাক্ষসৰ ওচৰলৈ যাবলৈ ক'লে।

কি কৰোঁ-কি নকৰোঁ অৱস্থা, পৰিবাৰৰ কথাত সহদেৱ সেই জংগললৈ গ'ল আৰু তাত যন্ত্ৰণাকাতৰ ৰাক্ষসটোক ক'লেগৈ, "শুনা, মই এজন বৈদ্য। তোমাক মই চিকিৎসা কৰি ভাল কৰি তুলিম।"

ৰাক্ষসটোৱে কৃতজ্ঞ দৃষ্টিৰে সহদেৱলৈ চাই তাৰ সন্মতি জ্ঞাপন কৰিলে। সহদেৱে জংলী লতা-পাত-ফল-শিপা আদিৰ ৰসেৰে প্ৰলেপ লগাই, খুৱাই ৰাক্ষসটোক চাৰি-পাঁচ দিনৰ ভিতৰত সুস্থ কৰি তুলিলে।

সুস্থ হৈ উঠি ৰাক্ষসটোৱে সহদেৱৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলে, আৰু সঁচাসঁচিকৈ তাৰ গুহাৰ ভিতৰত থকা এমোনা সোণৰ মোহৰ আনি দিলে।

সোণৰ মোহৰ লৈ সহদেৱ ঘৰলৈ উভতি আহি তেওঁৰ ভায়েক মহাদেৱক মতাই অনাই ক'লে, "মহাদেৱ, লুকাই খালে যে ঢুকাই যায়—তুমিও নজনা কথা নহয়। গতিকে—ৰাক্ষসে দিয়াখিনিৰে আমি এতিয়াৰপৰা দুয়ো মিলি এখন চিকিৎসালয় পাতি ৰাইজকো জীয়াই ৰাখিম, আৰু আমিও সুখে-দুখে জীয়াই থাকিম। —কি বোলা?"

ককায়েকৰ কথাখিনি শুনি মহাদেৱৰ মুখৰ মাত হৰিল।

আগলৈ মৰম-বেথাৰে চিকিৎসা কৰি সহাদেৱৰ লগত মহাদেৱেও চিকিৎসক হিচাপে ৰাইজৰ শলাগ পাইছিল।

কৃষ্ণাৱতাৰ

২৪

অসুৰৰাজ
বলিৰ পুত্ৰ বাণাসুৰ
আছিল এহেজাৰ হতীয়া
দুৰ্দান্ত অসুৰ। শোণিতপুৰ নগৰত
আছিল তাৰ ৰাজধানী। এদিন বাণাসুৰে
দেখা পালে যে কুবেৰ পৰ্বতৰ এক মণিমাণিক্য-
খচিত সুৱৰ্ণ আলোকিত গুহাত কুমাৰ স্বামী অৰ্থাৎ
কাৰ্তিকেয় ক্ৰীড়ামগ্ন হৈ আছে, আৰু কাৰ্তিকেয়ৰ এই ক্ৰীড়ালৈ
শিৱ-পাৰ্বতীয়ে মুগ্ধ দৃষ্টিৰে চাই আছে। অপূৰ্বসুন্দৰ কুমাৰস্বামীক তথা
কাৰ্তিকেয়ক দেখি বাণে ভাবিলে: এই বালকটিয়ে কিমান তপস্যাৰ ফলত
যে এনেহেন সুন্দৰ হৈ জনমিলে কোনে ক'ব। ময়ো জপ-
তপ কৰোঁ যদি এনেহেন সুন্দৰ হ'ব পৰিমনে বাৰু?
অকস্মাৎ বাণৰ সমুখত শিৱ-পাৰ্বতী আবিৰ্ভূত
হ'ল আৰু বাণক হাঁহি হাঁহি ক'লে,
"বৎস, তোমাৰ ওপৰত প্ৰসন্ন
হৈছোঁ। তোমাক কি
বৰ লাগে কোৱা,
নিশ্চয় পাবা।

'বাণাসুৰৰ কাহিনী'

বাণে হাত যোৰ কৰি ক'লে, "হে ঈশ্বৰ! মই আপোনাৰ পুত্ৰ ৰূপে জনমি যাতে সদায় এনে মৰম-আশীৰ্বাদ পাই থাকোঁ, অনুগ্ৰহ কৰি, হে মোৰ ঈশ্বৰ, মোক সেই বৰ প্ৰদান কৰক।"

শিৱই পাৰ্বতীক ক'লে, "দেৱী! এওঁৰ নাম বাণ। এওঁ হওক তোমাৰ মুমলীয়া পুত্ৰ, এই মৰ্মে এওঁক তুমি মনে-চিতে গ্ৰহণ কৰাঁ।"

*

তাৰ পাছত শিৱই বাণক তাৰ ৰাজ্যৰ ৰাজধানী স্বৰূপে শোণিতপুৰ নগৰখন প্ৰদান কৰিলে। শিৱই বাণক ক'লে, "মই তোমাৰ ৰাজধানী শোণিতপুৰ ৰক্ষা কৰিম। তোমাক কোনেও পৰাজিত কৰিব নোৱাৰিব, এই কথাত নিঃচিন্ত হৈ থাকিবা।"

কুমাৰস্বামীয়ে অৰ্থাৎ কাৰ্তিকেয়ই বাণক এটি অপূৰ্ব ম'ৰা চৰাই দিলে আৰু ক'লে, "এই ময়ুৰ হ'ব তোমাৰো বাহন, আৰু লাগিলে এই ময়ুৰেই হওক তোমাৰ ধ্বজ অৰ্থাৎ পতাকা।"

*

এতিয়া আৰু বাণৰ বিষয়ে ভাবিব-চিন্তিবলগা একো নাই, কিয়নো স্বয়ং শিৱই বাণক চোৱা-চিঁতা কৰিব, তেৱেঁই হ'ব তাৰ তাৰ ৰক্ষক। সেয়েহে বাণেও তাৰ ৰাজ্য বিস্তাৰৰ বাবে দেৱতা গন্ধৰ্ব নাগ খেচৰ ৰাক্ষস আদিক পৰাজিত কৰিবলৈ ধৰিলে। কিন্তু তথাপি বাণৰ মনস্তুষ্টি নহ'ল। বাণে দন্তালিৰে কৈ থাকিল: "ক'ত কোন আছা আহাঁ ৰণ দিবলৈ আহি যোৱা। মোক পৰাজিত কৰিব পৰা ত্ৰিজগতত কোনো নাই আৰু কদাপি নোলাব।

*

বাণ শিৱৰ ওচৰলৈ গ'ল আৰু তেওঁক যথাযথভাৱে পূজা কৰাৰ অন্তত ক'লে, "হে ঈশ্বৰ! মোৰ যুদ্ধ-লিপ্সা এতিয়াও

নিবৃত্ত হোৱা নাই। দেৱতা ৰাক্ষস যক্ষ গন্ধৰ্ব কোনেও মোৰ আগত ক্ষণমাত্ৰ তিষ্ঠিব নোৱাৰে। কাৰ সৈতেনো মই যুদ্ধ কৰিম? মোৰ কোন প্ৰতিদ্বন্দ্বী নাপাই, যুদ্ধ কৰিব নোৱাৰি মোৰ দেহ অৱশ-অৱসন্ন যেন হৈ পৰিছে।"

বাণৰ কথা শুনি শিৱই হাঁহি মাৰি ক'লে, "শুনা, শীঘ্ৰেই তোমাৰ অনুৰূপ কোনোবা এজনৰ বিৰুদ্ধে যুদ্ধলিপ্ত হ'ব লাগিব, গতিকে যুদ্ধৰ অভাৱৰ কথা কদাপি চিন্তা নকৰিবা।"

বাণে শিৱৰ দেৱাদিদেৱ কথা শুনি পৰিতুষ্ট হৈ পুনৰ শিৱক সাষ্টাংগে প্ৰণাম কৰিলে আৰু বিদায় ল'লে।

বাণাসুৰে তেওঁৰ মহামন্ত্ৰী কুম্মাণ্ডক ক'লেগৈ, "মহামন্ত্ৰী, মই একশুভ সম্বাদ লৈ আহিছোঁ।"

মহামন্ত্ৰী কুম্মাণ্ডই সুধিলে, "কেনেকুৱা শুভ সম্বাদ? কিবা ধৰণৰ বিশেষ বৰ প্ৰাপ্ত হ'লনে? নেআন কিবা? নে বিষ্ণুৰ বুদ্ধিৰে পাতাললৈ গৈ আপোনাৰ পৰম ধৰ্মাত্মা পিতৃদেৱৰ সন্দৰ্শনজনিত কিবা আশীৰ্বাদ—যি আশীৰ্বাদৰ বলত আমি তেওঁক পুনৰ দৰ্শন কৰি ধন্য মানিম আৰু জয়ধ্বনি দিম?"

বাণাসুৰে মিচিকীয়াই হাঁহি ক'লে, "নহয়, তেনেকুৱা একো নহয়। যুদ্ধ বিনে মই হতাশ হৈ পৰিছিলোঁ। দেৱাদি-





দেৱ মহাদেৱে মোক ক'লে যে মোৰ ময়ুৰ-ধ্বজৰ কাৰণে মই শীঘ্ৰেই পুনৰ যুদ্ধ-লিপ্ত হ'বলগীয়া হ'ম। এয়ে হ'ল সেই শুভ সম্বাদ।"

এই কথা শুনি বাণাসুৰৰ মহামন্ত্ৰী বুদ্ধিমন্ত কুষ্মাণ্ড শেঁতা পৰিল। তেওঁ ক'লে, "এস্! আপুনি শেহলৈ এই বৰকে খুজি ল'লেনে দেৱাদিদেৱ শিৱৰপৰা? বৰৰ বলেৰে গৰ্বোদ্ধত প্ৰহ্লাদৰ বংশৰ অৱস্থা কেনেকুৱা বেয়া যে হ'ল!"

*

কুষ্মাণ্ডই ভাবিলে ঃ তিনিও লোকৰ সকলোতে বিজয় লাভ কৰাত বাণে তেওঁৰ সমকক্ষ জগতত কোনো নাই আৰু নোলাব বুলি ভাবিছে। কিন্তু বাণ যিমানেই যি নহওক, অসুৰ তো হয়েই। এটা অসুৰে—এটা ৰাক্ষসে যিমানেই বিক্ৰম নেদেখুৱাওক, এইবোৰ আসুৰিক উৎপতীয়া কাণ্ড এই জগতত কোনোদিনেই কোনেও বন্ধ নকৰিবনে বাৰু?

*

বাণাসুৰৰ উষা নামৰ এজনী জীয়েক আছিল। উষা আছিল পৰমাসুন্দৰী। কুষ্মাণ্ডৰ জীয়েক চিত্ৰলেখা আছিল উষাৰ অন্যতম এজনী সখীয়েক, পিতৃ বাণাসুৰৰ আদেশক্ৰমে উষাই যোগ্য পতি লাভৰ বাবে পাৰ্বতীলৈ ধ্যান কৰি আছিল।

তিমানতে চ'ত মাহ পালেহিয়েই। শিৱ শোণিতপুৰত আছিল। শিৱই পাৰ্বতীৰে সৈতে বসন্ত বিহাৰৰ আয়োজনত ব্যস্ত হৈ পৰিছিল। কিছুমান গন্ধৰ্ব নাৰী আৰু অপ্সৰাকো নিমন্ত্ৰণ কৰা হ'ল। শিৱই সকলো নাৰীক পাৰ্বতীৰ ৰূপ ধাৰণ কৰিবলৈ পৰামৰ্শ দিলে। তাৰ পাছত সৰে মিলি শোণিতপুৰস্থ মন্দাকিনী নৈৰ তীৰলৈ গ'ল আৰু সেই গন্ধৰ্বনাৰী আৰু অপ্সৰাহঁতে ৰূপ সলাই লোৱাৰ আস্তত নিকটৱৰ্তী উদ্যানত মনোৰমভাৱে নৃত্য-গীত কৰিবলৈ ধৰিলে।

তাতে উষাই শিৱ-পাৰ্বতীক দেখা পাই বিমোহিত হ'ল আৰু তাইৰ প্ৰাণত বিবাহলৈ আকাংক্ষাৰ সৃষ্টি হ'ল। উষাৰ একোৰেই অভাৱ নাই। তাইৰ পিতৃ হ'ল ত্ৰিলোক-বিজয়ী। তাই পাৰ্বতী-দেৱীৰ আৰাধনা কৰাৰ সৌভাগ্য প্ৰাপ্তা ছোৱালী। প্ৰতিদিনেই তাই তাইৰ যোগ্য পতিলাভাৰ্থে পাৰ্বতীৰ যথোপযুক্ত আৰাধনা কৰি আহিছে। কিন্তু অদ্যাপি একো সুফল পৰিলক্ষিত হোৱা নাই।

উষাৰ মনৰ কথা পাৰ্বতীয়ে জানিলে আৰু তেওঁ তাইক মাতিলে। পাৰ্বতীয়ে উষাক ক'লে, "তোমাৰ মনৰ কথা মই জানিলোঁ। যুৱতী এগৰাকীয়ে পতিলাভৰ বাবে ব্যাকুল হোৱাটো স্বাভাৱিক আৰু উচিতো। তুমি শীঘ্ৰেই বৰ লাভ কৰিবা।"

"হে দেৱী! এয়ানো কেনেকৈ সম্ভৱ?" উষাই সুধিলে।

"অহা বৈশাখী শুক্লা দ্বাদশীৰ নিশা তুমি সপোনত এগৰাকী পুৰুষৰ দৰ্শন লাভ কৰিবা। তেৱেঁই হ'ব তোমাৰ ভাবী পতি।" পাৰ্বতীয়ে উষাক ক'লে।

আৰু বহগুৱা শুক্লা দ্বাদশীৰ নিশা উষাই সঁচাসঁচিকৈ সপোনত এগৰাকী যুৱকে তাইকক, নাম কাঢ়ি মাতি থকা শুনিলে, দেখা পালে, আৰু সেই যুৱকে তাইৰ হাততো ধৰিলেহি।

লগে লগে উচপ খাই উঠি উষা সাৰ পাই গ'ল। তাই চকু মেলি চালে; কিন্তু তাত তেতিয়া কোনো নাছিল। অধিকন্তু যি ঘটনা ঘটিল, সেয়া সপোন নহয়, প্ৰত্যক্ষ ঘটনাহে ঘটা যেন লাগিল। তাই কিছু ভীতি-কিছু লাজেৰে কোঁচমোচ খালে। পাৰ্বতীৰ কথাখিনি তাই সম্পূৰ্ণ পাহৰি থাকিল। তাই বিভ্ৰান্ত হৈ পৰিল, আৰু স্পষ্টকৈ একো ঠাৱৰ কৰিব নোৱাৰি অকস্মাৎ কান্দি উঠিল।

লগে লগে সখিয়েকহঁতো জাগি উঠিল আৰু সিহঁতে তাইক আগুৰি ধৰিলে।

চিত্ৰলেখাই তাইক বুকুত সাবটি লৈ ক'লে, "সখি! নাকান্দিবা, কিয় কান্দিছানো? কান্দিবলৈ তোমাক কিহে পালে? তোমাক কোনেনো কন্দুৱালে? সেই দুঃসাহসী কোন? তোমাৰ পিতাদেউ বাণ হ'ল ত্ৰিলোকত অজেয়। তোমাৰনো কিহৰ ভয়?" চিত্ৰলেখাই উষাৰ চকুলো নিজ হাতেৰে মচি দিলে।

উষাই সখিয়েকক সপোনৰ সকলো কথা কোৱাৰ অন্তত ক'লে, "মই সপোনত দেখাখিনি কেতিয়াও সপোন হ'ব নোৱাৰে। এয়া নিশ্চয় মোৰ চৰিত্ৰৰ এক মহাকলংক।"

তেতিয়া চিত্ৰলেখাই উষাক দেৱী পাৰ্বতীৰ কথাখিনি সোঁৱৰাই দিলে আৰু ক'লে, "আজিয়েই হ'ল বহাগ মাহৰ শুক্লা দ্বাদশী। বহাগৰ শুক্লা দ্বাদশীৰ নিশা তুমি সপোনত এগৰাকী সুদৰ্শন যুৱকৰ দৰ্শন লাভ কৰিবা আৰু তেৱেঁই হ'ব তোমাৰ ভাবী পতি— এই কথা দেৱী পাৰ্বতীয়ে তোমাক কোৱা নাছিলনে? আনন্দিত হোৱাৰ সলনি তুমি কিয়নো কান্দিছা?"

পাছ মুহূৰ্ততে উষাৰ চকু-মুখত উজ্জ্বল আভা বিয়পি পৰিল আৰু তাই কৈ উঠিল. "চিত্ৰলেখা, তুমি মোক সৰ্বচিন্তাৰপৰা মুক্ত কৰিলা। মোৰ স্বপ্নক সফল কৰাৰ উপায়ো তুমিহে বিচাৰি উলিয়াবা। মই সপোনত দেখা তেওঁৰ ৰূপ মুখেৰে বৰ্ণাব নোৱাৰিম, কিন্তু মোৰ চকুৰ পুতলীত তেওঁ জড়িত হৈ আছে। তেওঁক তুমি নিশ্চয় বিচাৰি উলিয়াবা, মোৰ ভাগ্য এতিয়া তোমাৰ হাতত।"

চিত্ৰলেখাই ক'লে, "সখি! মই নিশ্চয় তোমাক সহায় কৰিম। তোমাৰ সুখেই মোৰ সুখ। সেই যুৱকক বিচাৰি লৈ অহা বৰ কষ্টকৰ নহ'ব যেন পাওঁ। কিন্তু তাৰ আগতে—তেওঁ যে কোন—সেই কথাটো তো জানিব লাগিব। তুমি তো তেওঁৰ ৰূপ বৰ্ণন কৰিব নোৱাৰিবা বুলি

কৈছা, আৰু মই তেওঁক এই জীৱনত দেখাও নাই। তেন্তে—?"

উষাই পুনৰ উচুপি উচুপি ক'লে, "নিজৰ কাম নিজেই কৰাটো ভাল। আনে কেনেকৈনো কি কৰিব? সখি চিত্ৰলেখা, তুমি মোক তোমাৰ নিজৰ প্ৰাণৰ সমানেই ভাল পোৱা। তুমিও মোক যদি দয়া নকৰা, সঁচাকে কৈছোঁ, তেনেহেন অৱস্থাত এক-মাত্ৰ মৃত্যুৱেই মোৰ কাম্য।"

"সখি, ইমান চিন্তিত নহ'বা। মোক অলপ সময় দিয়া। দেৱী পাৰ্বতীৰ দয়া পাইছা যেতিয়া, তোমাৰ মনোবাঞ্ছা পূৰ্ণ নহৈ নাথাকে।" চিত্ৰলেখাই তাইৰ সখীয়েক বুজনি দিলে।

তাৰ পাছ চিত্ৰলেখাই তুলি আৰু বিভিন্ন ৰং লৈ জগতখনৰ অসংখ্য দেৱতা, দানৱ আৰু বিখ্যাত বিখ্যাত নানা যুৱকৰ মুখমণ্ডল আঁকি থাকিল। এই যুৱকসকলৰ মাজত কেইজনমানক উষাই সামান্যভাৱে বৰ্ণোৱা মতে আঁকিলে। তাৰ পাছত এদিন তাই এই চিত্ৰসমূহ উষাক দেখুৱাই ক'লে, "সখি উষা! এই চিত্ৰসমূহত থকা মুখমণ্ডলৰ মাজত তুমি সপোনত দেখা সেই মুখখন আছেনে? ভালকৈ চোৱাচোন। এই চিত্ৰত প্ৰায় সকলো খ্যাতনামা দেৱতা, দানৱ আৰু মানৱৰ মুখমণ্ডল অঁকা হৈছে।"

উষাই নিৰৱে-নিমাতে এখন এখনকৈ চিত্ৰ চাবলৈ ধৰিলে। চাই চাই যেতিয়া তাইৰ দৃষ্টি কৃষ্ণৰ মুখৰ ওপৰত নিবদ্ধ হ'ল, তেতিয়া তাই বাকৰুদ্ধ হৈ পৰিল। তাৰ পাছত যেতিয়া প্ৰদ্যুম্নৰ মুখমণ্ডল দেখা পালে, যেতিয়া তাইৰ বিস্ময়ৰ পাৰ-কূল নোহোৱা হ'ল আৰু অনিৰুদ্ধৰ চিত্ৰ-মুখ চাই চাই আপোনপাহৰা হৈ পৰিল।

আৰু সখি চিত্ৰলেখিয়েও জানি গ'ল যে উষাই সপোনত দেখাজন আন কোনো নহয়—তেওঁ আছিল স্বয়ং অনিৰুদ্ধ।



দানিপৰা দানপত্ৰ

এক

পাঁচ কি ছশ বছৰৰ আগৰ কথা। চীনদেশৰ ৰাজ্য এখনৰ ৰাজ-প্ৰতিনিধি আছিল নিম্‌বা চিয়েন। চিয়েন জীৱনত ঢেৰ ধন উপাৰ্জন কৰিছিল, ধনেদি মঠ বান্ধিছিল, কেইবাটাও বৰ বৰ ঘৰ সাজিছিল, অপৰিমিত মাটিৰ গৰাকী আছিল। তেওঁৰ একমাত্ৰ পুত্ৰ আছিল ৱান চি। ৱান চি-য়ে বিয়া কৰোৱাৰ কিছুদিনৰ অন্তত তাৰ মাক ঢুকাল। আৰু তাৰ কাৰণে নি-য়ে তেওঁৰ অৰ্থাৎ নিম্‌বাই ৰাজ-প্ৰতিনিধিৰ কামত ইস্তফা দিলে আৰু মাটি-বাৰীৰ চোৱা-মেলা কৰি দিন কটাবলৈ ধৰিলে।

এদিন পুত্ৰ ৱান চি-য়ে তাৰ দেউতাকক ক'লে, "দেউতা, আপুনি তো এতিয়া বুঢ়া হ'ল। কাম-বনৰপৰা আজৰি হৈ আৰামতে দিন কটাওক আৰু সকলো কামৰ দায়িত্ব মোক দিয়ক, ময়ে চম্ভালিম।"

"জীয়াই থাকোঁতেওনো কিয় দায়-দায়িত্ব জাৰি-জোকাৰি পেলাম? আনক দিম?" নি-য়ে ক'লে। কিন্তু মাত্ৰ ইমানখিনি কৈয়েই তেওঁ নৰ'ল, তেওঁ এনেকুৱা কাম কিছুমানো কৰিলে, যিবোৰ কাম পুত্ৰ ৱান চি-ৰ পক্ষে অসহনীয় হ'ল।

এদিন নি-য়ে গাঁৱৰ বাজ হৈ ঘূৰি ফুৰি থাকোঁতে গৈ গৈ এটা পুখুৰী-ঘাট পালেগৈ। তাত এজনী ষোল বছৰীয়া ছোৱালীয়ে কাপোৰ-কানি চাফা কৰি আছিল। ছোৱালীজনীৰ আইতাকো তাতে আছিল। এই ছোৱালীজনীৰ নাম আছিল মেই। মেই মাউৰী ছোৱালী। মেইহঁত বৰ দুখীয়া হোৱা হেতুকে এতিয়ালৈকো বিয়া-বাৰু হোৱা নাছিল।

নি-ৰ ঘৰলৈ আহিল। কিছুদিন পাৰ হোৱাৰ অন্তত নি-য়ে বুজি পালে যে মেইজনী বয়সত সৰু হ'লে কি হ'ব, স্বভাৱত গৰু নহয়, একা-চেকাবিধৰ।

এনেকৈ বুঢ়া বয়সত বিয়া কৰোৱাত ৱান চি আৰু তাৰ ঘৈণীয়েক মিন্ লি ৰিতুষ্ট হৈয়েই আছিল। বুঢ়া নি-ক যে তাই কজ্জা কৰিলে, সেই কথাত সিহঁত-হাল বৰ বিতুষ্ট হৈছিল।

চাওঁতে চাওঁতে মেই গৰ্ভৱতী হ'ল আৰু এদিন এটি পুত্ৰসন্তান প্ৰসৱ কৰিলে। ল'ৰাটিৰ নামকৰণ হ'ল—ৱান চু। নিজৰ ভায়েক এটি পাই ৱান চি-য়ে বেয়াহে পালে। চি-য়ে তাৰ সতিয়ৈ মাকৰ সম্বন্ধে নানান উৰা বাতৰি প্ৰচাৰ কৰি থাকিল।

ৱান চি-য়ে প্ৰচাৰ কৰা উৰা-বাতৰি-বোৰ নি-ৰ কাণতো নপৰাকৈ, নথাকিল, কিন্তু চি-ক নি-য়ে একো নক'লে। ৱান চি-ৱে প্ৰচাৰ কৰি থাকিল যে কোনো-নহয়-কোনো দিন তাৰ সতিয়ৈ ভায়েকেই সকলো সম্পত্তি কাঢ়ি ল'ব।

ৱান চু পাঁচ বছৰীয়া হ'লত নি-য়ে তাক এগৰাকী শিক্ষকৰ ওচৰত থৈ দিলে। এইজনা শিক্ষকৰ ওচৰত ৱান-

আৰু এইজনী মেইক দেখা মাত্ৰেই বুঢ়া নি বিমোহিত হ'ল। নি-য়ে মেই-ৰ আইতাকক ক'লে, "তুমি যদি মেইক মোৰ লগত বিয়া দিয়া, তেনেহ'লে তোমাকো মই আজীৱন আৰামত ৰাখিম আৰু মেইও তাইৰ জীৱনকাল ধৰি ৰাজ-ৰাণীৰ সুখতে কটাব পাৰিব।"

নি-ৰ কথা শুনি বুঢ়ী আইতাকৰ মনত আনন্দই নধৰা হ'ল, আৰু কথা আচৰিতেই, মেইজনীও বিয়াত মান্তি হ'ল।

পাছত—নি-বুঢ়াৰ ঘৈণীয়েক হৈ মেই

চি-ৰ লৰাটোও অধ্যয়ন কৰি আছিল। ৱান চি-য়ে ভাবিলে যে—এঠাইত পঢ়ি থাকিলে এদিন-নহয়-এদিন এই দুয়োৰো মাজত বন্ধুতা হ'ব। এই কথা ভাবি ৱান চি-য়ে তাৰ পুতেকক আন এগৰাকী শিক্ষকৰ ওচৰলৈ পঢ়িবলৈ পঠালে। এই কথাত নি ক্রুদ্ধ হৈ উঠিল আৰু নিজৰ পুতেকক কদৰ্থনা কৰিব বুলি ভাবিও নকৰা হ'ল। কিয়নো তাৰে একো লাভ নহ'ব বুলি ভালকৈ বুজি পালে।

এই ঘটনাৰ কিছুদিনৰ অন্তত নি টানৰো টান জঠৰ বা পক্ষাঘাত বেমাৰত শয্যাশায়ী হৈ পৰিল। বৈদ্যই ক'লে, "এই বেমাৰৰ দৰৱ নাই। এই বেমাৰৰ বেমাৰীয়ে খাটত শুই শুই মৰিব লাগিব।"

এদিন ৱান চি আহিল দেউতাকক চাবলৈ। এতিয়া যে দেউতাকে আৰু আগৰ দৰে চলা-ফুৰা কৰিব নোৱাৰিব, আৰু এয়ে যে অন্তিম দিন, সেই কথাটিৰ ভালকৈ বুজ লৈ সি নি-ৰ ঘৰতো গৰাকী বোল্যবলৈ ধৰিলে। সি ঘৰৰ চাকৰ-নাকৰবিলাকক ডাবি-ধমকিৰ উপৰি মাৰ-পিটো কৰি থাকিল। বুঢ়া নি-ৰ খাটৰ ওপৰত বহি মেই আৰু ৱান চু কান্দি থাকিল।

তেওঁৰ দিন যে চমু চাপিছে, তেওঁ যে যমৰ আলহী হ'বলৈ ওলাইছে, সেই



কদাপি মুক্তি নাপাব।”

ৱান চি-য়ে বহীখন লৈ খোজ ল লে আৰু ক'লে, “দেউতা, আপুনি একেবাৰে নিশ্চিত হৈ থাকক। আপোনাৰ আদেশ মই আখৰে আখৰে পালন কৰিম।”

ৱান চি গুচি যোৱাৰ পাছত মেইয়ে দুগাল তিয়াই চকুলো বোৱাই ক'লে, “ৱান চু-ও তো আপোনাৰেই পুত্ৰ। তেনে-স্থলত—সকলো সা-সম্পত্তি আপোনাৰ জেষ্ঠ পুত্ৰক দিলেনো কেনেকৈ? এয়া আমাৰ প্ৰতি অন্যায় কৰা নহ'লনে? আমিনো কেনেকৈ জীৱন কটাম?”

বৃদ্ধ নি-য়ে ক'লে, “শুনা, মই এতিয়াই সা-সম্পত্তি ভগাই দিয়াহেঁতেন মোৰ নিমৰমিয়াল পুত্ৰ ৱান চি-য়ে সৰু হৈ থকা ৱান চু-ক সম্পত্তিৰ লোভত পৰি আনকি হয়তো মাৰিয়েই পেলালেহেঁতেন, তোমালোককো সি নিশ্চয় খেদিলেহেঁতেন। সেই কাৰণে, মই দান-পত্ৰত ৱান চু-ক সিয়েই পালন-পোষণ কৰিব বুলি চৰ্ত লিখি থৈছোঁ। মোৰ মৃত্যুৰ পাছত তুমি ইয়াত নাথাকিবা। তুমি পুনৰ বিবাহ কৰি সুখে-সন্তোষেৰে জীৱন যাপন কৰিবা, তেহে মোৰ আত্মা তৃপ্ত হ'ব।”

“ময়ো এক অভিজাত পৰিয়ালত

কথাটি বুজি পাই, এদিন তেওঁ ৱান চি-ৰ হাতত বহী এখন গটাই দিলে। এই বহী-খনত,তেওঁৰ সা-সম্পত্তিৰ বিবৰণ আছিল।

নি-য়ে তেওঁৰ জ্যেষ্ঠ পুত্ৰ চি-ক ক'লে, “বোপা, ৱান চু নিচেই সৰু। তাক কিছুদিনলৈ তুমিয়েই চোৱা-চিঁতা কৰিবা। সি সৰু হোৱাহেতুকে তাক মই এতিয়াই কোনো সা-সম্পত্তি দিয়া নাই, সি ডাঙৰ হ'লে যি কৰা তুমি কৰিব। মেইকো—তাইৰ বিধৱা কালত তুমিয়েই চোৱা-চিঁতা কৰিবা, যাতে কষ্ট নাপায়। নহ'লে মোৰ মৃত আত্মাই কষ্ট পাব, মোৰ মৃতাত্মাই

জন্ম লৈছিলোঁ। আৰু পুনৰ্বিবাহ কৰি মই মোৰ পুত্ৰক এৰি গুচি যাম কেনেকৈ ?

তেতিয়া, বিছনাৰ তুলিৰ তলৰপৰা কাগজৰ মুৰা এটা উলিয়াই আনি, মেই-ৰ হাতত দি বুঢ়া নি-য়ে ক'লে, "এইটো যত্নেৰে আৰু সাৱধানতাৰে থৈ দিবা।"

মেই-য়ে সুধিলে, "এইটো কি—?"

নি-য়ে ক'লে, "এই কাগজখিনিৰ ভিতৰত মোৰ চিত্ৰ এখন আছে। চাবা, আন কোনেও দেখা নাপায় যেন। তোমাৰ পুত্ৰ যেতিয়া ডাঙৰ হ'ব আৰু ৱান চি-য়ে তাক আৰু পোহ-পাল কৰিবলৈ অস্বীকাৰ কৰিব, তেতিয়া বুদ্ধিমন্ত আৰু ধৰ্মৱন্ত কোনোবা এগৰাকী ন্যায়াধিকাৰীক এই চিত্ৰ দেখুৱাই তোমাৰ অভিযোগ দাখিল কৰিবা। এই চিত্ৰখন সাৱধানী দৃষ্টিৰে পৰ্য্যৱেক্ষণ কৰিলেই সকলো ওলাই পৰিব, আৰু তেতিয়া তুমি তোমাৰ পুত্ৰৰে সৈতে সুখে-সন্তোষে জীৱন কটাব পাৰিবা।"

তাৰ পাছত এদিন বৃদ্ধ নি ঢুকাল।

দেউতাকৰ মৃত্যুৰ অন্তত ৱান চি-য়ে তাৰ সতিয়ৈ মাক আৰু ভায়েকক ঘৰৰপৰা উলিৱাই দিলে আৰু ঘৰৰপৰা কিছু আঁতৰত এটা জুপুৰী ঘৰত থাকিবলৈ দিলে। চি-য়ে সিহঁতৰ চোৱা-মেলাৰ বাবে সৰু কামকৰা ছোৱালী এজনী বন্দবস্ত কৰি দিলে আৰু প্ৰতিদিন দুই-তিনি মুঠিকৈ চাউল সিজাই খাবলৈ ক'লে সিহঁতক। শাক-পাচলি খাৰ-খাৰলি নালাগে বুলি চাফ চাফকৈ কৈ দিলে।

কিছুদিন এইদৰে অতিবাহিত হোৱাৰ অন্তত এজন লগুৱাৰ হতুৱাই ৱান চি-য়ে মেই-ক কৈ পঠালে পুনৰ বিয়া কৰাবলৈ। কিন্তু এই কথাত মেই যেতিয়া অস্বীকৃত হ'ল, তেতিয়া ৱান চি-য়ে সিহঁতৰ আৰু একো খবৰ বাতৰি নোলোৱা হ'ল। [আগলৈ

পণ্ডিতৰ পৰীক্ষা

ৰাধাৰমণৰ প্ৰতি শিক্ষাগুৰু সোমেন্দ্ৰ আছিল বিশেষ স্নেহপৰায়ণ। কিয়নো, সচ্চৰিত্ৰ ৰাধাৰমণ ধী-শক্তি তথা বুদ্ধিৰ ফালৰপৰা আছিল অতি প্ৰখৰ আৰু নম্ৰতা ভদ্ৰতা সাধুতাৰ সৈতে তাৰ দৃষ্টিশক্তিও আছিল তীখৰ।

সোমেন্দ্ৰ পণ্ডিতৰ টোলৰ অন্যান্য ছাত্ৰ সহপাঠীৰ লগত ৰাধাৰমণে কেতিয়াও বাদ-বিসম্বাদ বা তৰ্কবাদ নকৰিছিল। ৰাধাৰমণে গুৰুৰ উপদেশ একাণপতীয়াভাৱে শুনিছিল, আৰু সেই শুনা কথাখিনি টোলৰ অনতিদূৰত থকা নৈৰ নিৰল-নিৰ্জন পাৰত বহি একমনে চিন্তা কৰিছিল।

গুৰুৰ বিশেষ স্নেহভাজন হোৱাৰ কাৰণে অন্য দুজন ছাত্ৰ—ৰামভদ্ৰ আৰু কৃষ্ণদীক্ষিত—ৰাধাৰমণৰ ওপৰত অতিপাত বিতুষ্ট তথা যথেষ্ট ঈৰ্ষান্বিত আছিল।

এদিন অধ্যাপনাৰ অন্তত এজোপা বৃক্ষৰ তলত জিৰণি লৈ থাকোঁতে ৰামভদ্ৰ আৰু কৃষ্ণদীক্ষিতে গুৰুক ক'লেগৈ, "গুৰুদেৱ, আমাৰ মাজত যিজন আটাইতকৈ বুদ্ধিমন্ত তথা সচ্চৰিত্ৰ—তাৰ প্ৰতি আপোনাৰ বিশেষ বাৎসল্যৰ কথা আমি জানো। কিন্তু সেই ৰাধাৰমণৰ প্ৰতি আপোনাৰ সবিশেষ স্নেহৰ কথা ভাবি আমি অৰ্থাৎ আপোনাৰ অন্যান্য ছাত্ৰইঁত বৰ আচৰিত হৈছোঁ।

সোমেন্দ্ৰ পণ্ডিতে হাঁহি হাঁহি ক'লে, "টোলৰ সকলো ছাত্ৰেই মোৰ স্নেহৰ পাত্ৰ। পিছে—এই কথাত সন্দেহ নাই যে ৰাধাৰমণ বেদ, শাস্ত্ৰাদি তথা ইতিহাসতো তোমালোকতকৈ আগ বঢ়া

ৰসেন্দ্ৰ ৰাজখোৱা

হৈ আছে। আৰু—লৌকিক জ্ঞান তথা তাৰ্কিক দৃষ্টি ভংগীৰ ফালৰপৰাও অন্যান্য ছাত্ৰতকৈ সি অনেক আগ বঢ়া।”

“ক্ষমা কৰিব গুৰুদেব, আপোনাৰ এই কথাৰ প্ৰমাণ কি?” ৰামভদ্ৰ আৰু কৃষ্ণদীক্ষিতে একেলগে সিহঁতৰ গুৰুদেৱক সুধিলে।

“তেনেহ’লে এটি কাহিনী কওঁ শুনা। যোৱা. সকলো সহপাঠীক মাতি আনাগৈ সোমেন্দ্ৰ পণ্ডিতে ৰামভদ্ৰ আৰু কৃষ্ণদীক্ষিতক ক’লে।

সকলো ছাত্ৰ গোট খোৱাৰ পাছত সোমেন্দ্ৰ পণ্ডিতে তেওঁৰ ছাত্ৰ তথা শিষ্যসকলক সেই কাহিনী ক’বলৈ ধৰিলে ঃ

পূৰ্ণচন্দ্ৰ অতি দৰিদ্ৰ অৱস্থাৰেপৰাই সূৰ্য্যনগৰৰ ৰজা হৈছিল। পূৰ্ণৰ পৰিবাৰত আছিল তেওঁৰ মা, ভনী আৰু পত্নী। এই তিনিওকো পূৰ্ণই মনে-চিতে মৰম কৰিছিল, ভাল পাইছিল।

এদিন এগৰাকী সাধু ৰাজপ্ৰাসাদলৈ সোমাই আহিল আৰু ৰজা পূৰ্ণচন্দ্ৰৰ হাতত এটা গুলি, এডাল হাৰ আৰু এটি ফুল দিলে, আৰু লগত এই বস্তুসমূহৰ গুণাগুণো ব্যাখ্যা কৰিলে আৰু ক’লে, “হে ৰজা, এইবোৰ বস্তু আপুনি তেওঁলোককহে দিব, যিসকলে আপোনাক ভাল পায় বা আপুনিও যিসকলক ভাল পায়। এই গুলিটো যিজনে গিলি খাব, তেওঁৰ জীৱনত



চিন্তা কৰিবলগীয়া একো নাথাকিব, এই হাৰ ডাল পিন্ধোতাৰ সততে মংগল হ'ব আৰু এই ফুল যিজনে মস্তকত ধাৰণ কৰিব তেওঁৰ সৌন্দৰ্য্য দুগুণে চৰিব।" এই বুলি কোৱাৰ অন্তত সাধু তেতিয়াই তাৰপৰা গুচি গ'ল।

ৰজা পূৰ্ণচন্দ্ৰৰ মনে-চিতে মৰম-চেনেহ কৰা মানুহ আছিল তিনিজনী, আৰু সাধুৱে তিনিটা বস্তুকে দিলে। এইবোৰ বস্তুৰ মাজত এটাও তেওঁৰ নিজৰ কাৰণে নহয়। কোনটো বস্তু যে কাক দিব লাগিব— তাকো বহু ধৰণে ভাবি-গুণিও ৰজা পূৰ্ণচন্দ্ৰই ঠাৰৰ কৰিব পৰা নাছিল।"

এই কাহিনী কোৱাৰ অন্তত পণ্ডিত সোমেন্দ্ৰই তেওঁৰ টোলৰ ছাত্ৰহঁতক সুধিলে, "ৰজা পূৰ্ণচন্দ্ৰ কেনে বিপদত পৰিছিল, শুনিলাই। এতিয়া কি হ'ব? তেওঁ কাক কি দিব তোমালোকেই কোৱা।"

ৰামভদ্ৰ, বা কৃষ্ণদীক্ষিতে, বা অন্যান্য ছাত্ৰয়ো গুৰুদেৱক এই কথাৰ একো স্পষ্ট উত্তৰ নিদিলে।

তেতিয়া ৰাধাৰমণে থিয় হৈ ক'লে, "ৰাজমাতৃ হ'ল বিধৱা, গতিকে—তেওঁ চিন্তামুক্ত হৈ সুখী হ'লে ৰজাই ভাল পাব। গুলিটো ৰাজমাতৃয়ে গিলি খালেই ভাল। পত্নীৰ মংগল হ'লে পতিৰ অৰ্থাৎ ৰজাৰো মংগল হ'ব, গতিকে হাৰডাল ৰাণীয়ে পিন্ধক। আৰু—ৰজাৰ অবিবাহিত ভনীয়েৰাই ফুল পিন্ধিব। কিয়নো তেওঁৰ সৌন্দৰ্য্য বৃদ্ধি হ'লে বিবাহৰ ক্ষেত্ৰত সুবিধা ওলাব।"

ৰাধাৰমণৰ উত্তৰ শুনি তাৰ শিক্ষাগুৰু আৰু সহপাঠীহঁতো আনন্দিত হ'ল আৰু হৰ্ষধ্বনি কৰি উঠিল।

তেতিয়া ৰামভদ্ৰ আৰু কৃষ্ণদীক্ষিতেও ৰাধাৰমণক হিয়া উবুৰিয়াই শলাগিলে আৰু তাৰ অসাধাৰণত্বক তথা বাস্তৱ বুদ্ধিক মনে-চিতে মানি ল'লে।



তিনি পাইকৰ শ্ৰীৰাম বৰা

চিকটা চিদম্বৰ চিপিৰা-কটীয়াও হ'লেও একেবাৰে এলা-পেচাবিধৰ মানুহ নাছিল। চিদম্বৰে জানিছিল যে ধনেই হ'ল ধৰ্মৰ মূল। আৰু—জানি আৰু মানি ধনেদি মৰিশালি সাজিছিল।

কিন্তু চিকটা চিদম্বৰৰ পৰিবাৰ চিৰিমা আছিল চিদম্বৰৰ যাক বোলে বিপৰীত। চিৰিমাই দান-ধৰ্ম কৰি ভাল পাইছিল।

এবাৰ কিবা এটা উছৱ-উপলক্ষ্যে বেদ-পুৰাণ পাঠ শুনিবলৈ এজন পণ্ডিতক মাতি আনিবলৈ গাঁৱৰ ৰাইজে সকলোৰে-পৰা চান্দা খুজি খুজি চিদম্বৰকে চেপেনাৰে ধৰা দি ধৰিলেগৈ। শুনি চিদম্বৰে চিধাই কৈ দিলে, "এইবোৰ বেদ-পুৰাণত মোৰ অলপো বিশ্বাস নাই, আস্থা নাই। গতিকে—এই বেদ-পুৰাণৰ খক পূৰণৰ বাবে চান্দা-টান্দাৰো কথা নাই।"

ঘৈণীয়েকে ক'লে, "আপুনি চান্দা নিদিলে নাই। পিছে—মুক্তিৰ উপায় জনাৰ বাবে তিনিটা কথা শুনিলেনো আপোনাৰ কি হানি হ'লহেঁতেন ?"

কাজিয়া-পেচাল আৰু নবঢ়াই পৰিবাৰৰ কথাত কেৱল তিনিটা কথা শুনিবলৈ চিদম্বৰ তালৈ যাবলৈ মান্তি হ'ল।

এজোপা বৰগছৰ তলত বেদ-পুৰাণ পাঠৰ পণ্ডিত বহি আছিল ডিঙিত শকত মালা এধাৰ পিন্ধি ভৰিত নেপূৰ বান্ধি। আৰু তেওঁৰ তিনিও কাষত আছিল শ্ৰোতা-ৰাইজ। গাঁওবুঢ়াই থিয় হৈ ক'লে, "সকলো আহি গ'লনে ? নে আহিবলৈ কোনোবা আছে আৰু ?"

"অহঃ !" পুৰাণ-পণ্ডিতে কৈ উঠিল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আৰু চিদম্বৰে ভাবিলে : তিনিটা কথাৰ প্ৰথমটো কথা হৈ গ'ল।

ইতিমধ্যে আৰু ঢেৰ মানুহ অহাত কিছুমান থিয় হৈ থাকিল আৰু পুৰাণক নেদেখা হৈ পৰিল।

গাঁওবুঢ়াই চিঞৰি চিঞৰি কৈ থাকিল, "ৰাইজসকল, বহক—বহি দিয়ক।"

চিদম্বৰে ভাবিলে : এইটোৱে নিশ্চয় দ্বিতীয়টো কথা।

ইতিমধ্যে ঠাইডোখৰত মানুহৰ খদমদ'ম লাগি পৰিছিল। বহুতেই বহিবলৈ ঠাই নাপাই উভতি যাবলৈ খোজ লোৱাত গাঁওবুঢ়াই কৈ উঠিল, "আপোনালোক গুচি নাযাব, পুৰাণ-পণ্ডিত পাবহিয়েই আৰু।"

চিদম্বৰে এই কথাটোকে তৃতীয়টো বুলি ভাবি, পোন কোবে, ঘৰলৈ গৈ চিধাই বিছনাত দীঘল দিলে।

চিদম্বৰ তালৈ যে গৈছিল, সেই কথা চিৰিমাই নাজানিছিল। চিদম্বৰ তালৈ নাযাব বুলি ভাবি চিৰিমাই ল'ৰাহঁতক লৈ পুৰাণ-পাঠ শুনিবলৈ গুচি গ'ল। কিন্তু ঘৰৰ দুৱাৰ বন্ধ কৰিবলৈ পাহৰি থাকিল।

কেইটামান চোৰ আগৰেপৰাই ঘৰত সোমাই জুপুকা মাৰি বহি আছিল। হঠাৎ চিদম্বৰে টোপনিৰ মাজতে কৈ উঠিল, "সকলো আহিলনে?"

শুনি চোৰকেইটা চঁক খাই উঠিল।

চিদম্বৰে পুনৰ টোপনিৰ মাজতে ক'লে, "ৰাইজসকল বহক—বহি দিয়ক।"

এইবাৰ চোৰবিলাকে চুৰিৰ আশা এৰি পলাই পত্ৰং দিবলৈ খোজ ল'লে আৰু ঠিক তেতিয়াই টোপনিত লালকাল দিয়া চিদম্বৰে পুনৰ টোপনিতে কৈ উঠিল, "আপোনালোক উভতি নাযাব, পুৰাণ-পণ্ডিত পাবহিয়েই আৰু……।"

শুনি চোৰকেইটাই উবা-জুবাত কৰ্ফাল খাই পৰিও ফেটীৰ মূৰ ছিঙা লৰ দি কথমপিহে পলাই সাৰিলে।



ভাৰতৰ মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰৰ তলত সমুদ্ৰ-শহা আছে। সমুদ্ৰ-শহা নামৰ এই জন্তু-বিলাকৰ গোঁফ দেখাত শহাৰ কাণৰ ধৰে হোৱাত এনে নামকৰণ কৰা হৈছে। প্ৰাণী এটাই একেলগে কিমান কণী পাৰে? এটা সমুদ্ৰ-শহাই একেলগে ৪৭৮,০০০,০০০ কণী পাৰিব পাৰে!

পোৱাল হ'ল শুকাই যোৱা কিছুমান প্ৰাণীৰ জঁকা মাথোন। পোৱাল কেলছিয়ামেৰে পৰিপূৰ্ণ।

মৰুভূমিৰ উড়ন্ত শলিয়া

শলিয়া বা চিকা প্ৰজাতিৰ জেৰ্বোবা নামৰ প্ৰাণীৰ পিছঠেং আগঠেংতকৈ চাৰিগুণে দীঘল। জেৰ্বোবা নামৰ এই শলিয়াৰ মূৰ আৰু দেহ মিলাই যিমান দীঘল হয়, তাৰ নেজডাল হয় তাতোকৈ ঢেৰ দীঘল। এই দীঘল নেজৰ সহায়ত ই এক-জাঁপে ১০ ফুট বা ৩ মিটাৰলৈ উৰি যাব পাৰে।



অতিকে' মৰমৰ এই উপহাৰ
দিয়েমে কি ভাবি চাওক
প্ৰৱাসুৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক
অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাকুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ ডিছেমবাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ অকট'বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ঘৰত থাকে যি — দ্বিতীয় ফটো : মন্দিৰতো সি

পুৰস্কাৰ প্ৰাপক : মিনাক্ষী গোস্বামী, গাঁও : গ'ৰখীয়া দ'ল, যোৰহাট।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]।

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026



UNIOR
QUEST
Where finding out is fun
AIM NOW FOR
THE IDEAL TEACHER CONTEST!
TEACHER'S
DAY SPECIAL
Rush for the
September issue
of every child's
favourite magazine!
PRICE RS 5/-

Gautam Goswami (4.10.89)